কাৰিকৰী বিজুতিৰ বাবে কাকতখন ১২ পৃষ্ঠাৰ সলনি ৮ পৃষ্ঠা কৰিব লগীয়া হ'ল। এই সিদ্ধান্ত ল'ব লগীয়া হোৱাৰ বাবে আমি অতিকৈ দুঃখিত।
— সম্পাদক


গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

*সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে*

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ২৪ জুলাই, ২০২৬/৭ শাওণ ১৯৪৩ শক ● দাম ৩.০০ টকা ● পঞ্চদশ বছৰ ● সংখ্যা - ১৫ ● Vol - 15, Issue - 15


# বানত আক্ৰান্ত লোকক সকলো প্ৰকাৰে সহায় কৰিব চৰকাৰে ঃ ড° হিমন্ত বিশ্ব শৰ্মা

## শিৱসাগৰ, যোৰহাট, চৰাইদেউ জিলাৰ সকলো বিজেপি কাৰ্যকৰ্তাক বানাক্ৰান্তৰ ওচৰত থিয় হোৱাৰ নিৰ্দেশ দিলীপ শইকীয়াৰ



**গুৱাহাটী ঃ** নাগালেণ্ডত বিগত কিছুদিন ধৰি হোৱা প্ৰৱল বৰষুণৰ ফলত এক অনাকাংক্ষিত আৰু অস্বাভাৱিক বানৰ কবলত পৰিছে উজনি অসমৰ যোৰহাট, শিৱসাগৰ, চৰাইদেউ জিলাৰ বিভিন্ন অঞ্চল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই শিৱসাগৰ, যোৰহাট, চৰাইদেউ জিলাৰ বিভিন্ন বান সাহায্য শিৱিৰলৈ গৈ তাত আশ্ৰয় লৈ থকা পৰিয়ালক সাক্ষাৎ কৰি পৰিস্থিতিৰ বুজ লোৱাৰ উপৰিও বানাক্ৰান্তৰ সৈতে বাৰ্তালাপ কৰি প্ৰতিটো শিৱিৰতে চিকিৎসককে ধৰি প্ৰয়োজনীয় খাদ্য-সমগ্ৰী, খোৱাপানী আদি সুবিধাৰ উপলব্ধতাৰ নিশ্চয়তা প্ৰদান কৰে। বানাক্ৰান্তলোকৰ ওচৰত থিয় হৈ মুখ্যমন্ত্ৰীয়ে বানত বিধস্ত হোৱা সকলো লোকৰে ঘৰ-দুৱাৰ, দৰকাৰী নথি-পত্ৰ, কিতাপ-কাগজ সকলোৰে ব্যৱস্থা কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। এই অনাকাংক্ষিত বানৰ কবলত পৰি মৃত্যুবৰণ কৰা প্ৰতিগৰাকী মৃতকৰ আত্মীয়লৈ চাৰি লাখ টকাকৈ তৎকালীন সাহায্য ৰাজ্য চৰকাৰে আগবঢ়াব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ঘোষণা কৰে। ভাৰতীয় জনতা পাৰ্টি অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়া ডাঙৰীয়াই সংশ্লিষ্ট জিলাৰ ভাৰতীয় জনতা পাৰ্টিৰ জিলা সভাপতি, জিলা প্ৰভাৰী তথা বিজেপিৰ কাৰ্যকৰ্তাসকলক ক্ষতিগ্ৰস্ত ৰাইজৰ কাষত থিয় হৈ সকলোধৰণৰ সহায় সহযোগিতা প্ৰদানৰ বাবে নিৰ্দেশনা প্ৰদান কৰে। আনকি ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই প্ৰটেম অধ্যক্ষ হিচাপে



লোকসভাৰ অধ্যক্ষৰ আসন গ্ৰহণ কৰি সংসদৰ কাৰ্যক্ৰমণিকা পৰিচালনা কৰি থকাৰ সময়তে যোৱা ২০ জুলাইত সাংসদসকলক অসমৰ বানপানীৰ ওপৰত পৰ্যালোচনা কৰাৰ বাবে আহ্বান জনায়। ভাৰতৰ গণতন্ত্ৰত লোকসভাৰ অধ্যক্ষৰ আসনৰ পৰা অসমৰ বানপানীৰ ওপৰত সংসদক অৱগত কৰাৰ এই প্ৰয়াস এক ঐতিহাসিক

*৭ পৃষ্ঠাত*

# শিৱসাগৰ জিলাৰ বানপীড়িত ৰাইজক উদ্ধাৰ আৰু সাহায্য সামগ্ৰী বিতৰণত ব্যস্ত জিলা প্ৰশাসন



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** সাম্প্ৰতিক সময়ৰ অভূতপূৰ্ব বানপানীৰ পৰিপ্ৰেক্ষিতত শিৱসাগৰ জিলা প্ৰশাসনে বানপীড়িত ৰাইজক উদ্ধাৰ, সাহায্য সামগ্ৰী প্ৰদান আৰু তেওঁলোক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰাৰ বাবে সকলো ধৰণৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। শিৱসাগৰ জিলা প্ৰশাসনে প্ৰকাশ কৰা কিছু শেহতীয়া তথ্য অনুসৰি- শিৱসাগৰ জিলাৰ বিভিন্ন অংশত এছডিআৰএফ (SDRF) -ৰ ১৭ খন নাও মোতায়েন কৰা হৈছে। শিৱসাগৰ জিলাত এনডিআৰএফ (NDRF)-ৰ ১৮ খন নাও মোতায়েন কৰা হৈছে। শিৱসাগৰ জিলাত ভাৰতীয় সেনাবাহিনীৰো ৩ খন নাও মোতায়েন কৰা হৈছে। সৰ্বমুঠ ৩৮ খন নাও মোতায়েন কৰা হৈছে বুলি জানিব পৰা গৈছে। লগতে অসমৰ অন্যান্য প্ৰান্তৰ পৰাও আৰু অধিক নাও আহিছে। উল্লেখ্য যে, শিৱসাগৰ জিলাখনত বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত উদ্ধাৰ, সাহায্য সামগ্ৰী প্ৰেৰণ আদি বিভিন্ন কাৰ্যত এনডিআৰএফ (NDRF), এছডিআৰএফ (SDRF) আৰু ভাৰতীয় সেনা বাহিনীৰ দলো ব্যস্ত হৈ পৰিছে।

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এখন শক্তিশালী, সমৃদ্ধ আৰু আত্মনিৰ্ভৰ অসমৰ দূৰদৰ্শী ৰূপৰেখা

■ **ভবেন্দ্ৰ দাস**
ৰাজ্যিক সভাপতি
শিৰোমণি গুৰু ৰবিদাস বিশ্ব মহাপীঠ, অসম প্ৰদেশ।



**পৰিচয়**

মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ গতিশীল নেতৃত্বত উপস্থাপন কৰা অসম বাজেট ২০২৬-২৭ কেৱল বাৰ্ষিক আৰ্থিক বিৱৰণী নহয়; ই এখন দূৰদৰ্শী দলিল যিয়ে চৰকাৰৰ সৰ্বাংগীণ বিকাশ, অৰ্থনৈতিক ৰূপান্তৰ আৰু সামাজিক শক্তিকৰণৰ প্ৰতি থকা প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰে। এই বাজেটে আন্তঃগাঁথনি,



নিযুক্তি, কৃষি, শিক্ষা, স্বাস্থ্য, সমাজ কল্যাণ আৰু বহনক্ষম নগৰ উন্নয়নৰ ওপৰত গুৰুত্ব দি এখন

*৭ পৃষ্ঠাত*

# দদৰাত কৃষকৰ মাজত ভূমি স্বাস্থ্য পত্ৰ আৰু গছৰ পুলি আৰু কৃষি-উপযোগী সামগ্ৰী বিতৰণ



**ৰমেন ভৰালী, বংশৰ ঃ** অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী নেতৃত্বত অসমৰ কৃষিখণ্ডক অধিক শক্তিশালী, আধুনিক আৰু আত্মনিৰ্ভৰশীল কৰি তোলাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপে কৃষকসকলৰ মাজত নতুন আশা আৰু আত্মবিশ্বাসৰ সঞ্চাৰ কৰিছে। ইয়াৰ বাবে অসম চৰকাৰৰ কৃষিমন্ত্ৰী পীয়ুষ হাজৰিকাৰ বলিষ্ঠ নেতৃত্ব আৰু কৃষক হিতৈষী দৃষ্টিভংগীয়ে ৰাজ্যৰ কৃষি আৰু উদ্যান শস্যখণ্ডলৈ এক নতুন গতি প্ৰদান কৰিছে। কৃষকৰ আয় বৃদ্ধি আৰু উদ্যান শস্যৰ উৎপাদন সম্প্ৰসাৰণৰ ক্ষেত্ৰত এই পদক্ষেপ বিশেষভাৱে কামৰূপ

*৭ পৃষ্ঠাত*

### শৈক্ষিক গাঁও সভাৰে শিক্ষাৰ নতুন দিশ

# বৰঙাবাৰীৰ মতিৰাম বৰা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত বুনিয়াদী আৰু বৃত্তিমূলক শিক্ষাৰ ওপৰত গুৰুত্ব

**মিতালী দেৱী, মৰিগাঁও ঃ** শিক্ষাই এখন সুস্থ, সচেতন আৰু আত্মনিৰ্ভৰ সমাজ গঢ়াৰ মূল আধাৰ। সেই লক্ষ্যক সন্মুখত ৰাখি মৰিগাঁও জিলাৰ বৰঙাবাৰীৰ মতিৰাম বৰা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত এক তাৎপৰ্যপূৰ্ণ শৈক্ষিক গাঁও সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা সমাজসেৱক খগেন মহন্তৰ সঞ্চালনাত অনুষ্ঠিত সভাখনে শিক্ষা ব্যৱস্থাক অধিক শক্তিশালী আৰু জনমুখী কৰি তোলাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° অপূৰ্ব কুমাৰ ঠাকুৰীয়াই। তেওঁ শিক্ষাৰ গুণগত মান উন্নয়ন, বিদ্যালয়মুখী পৰিৱেশ সৃষ্টি আৰু সমাজৰ সক্ৰিয় অংশগ্ৰহণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মৰিগাঁও জিলাৰ আয়ুক্ত অনামিকা তেৱাৰী। লগতে অতিৰিক্ত আয়ুক্ত অনুসূয়া শৰ্মা, যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ শৈলেন্দ্ৰ বৰ্ধন বৰা, জিলা যান-বাহন পৰিদৰ্শক পূৰ্ণিমা তাছা, দন্দুৱা জিলা পৰিষদ সমষ্টিৰ সদস্য সুৰেন দাস, বিভিন্ন পঞ্চায়ত প্ৰতিনিধি, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু অঞ্চলটোৰ বহু সংখ্যক সচেতন ৰাইজ উপস্থিত থাকে। সভাত বক্তাসকলে বুনিয়াদী শিক্ষাৰ লগতে বৰ্তমান সময়ৰ প্ৰয়োজনীয়তা অনুসৰি বৃত্তিমূলক শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলক আগ্ৰহী কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে বিভিন্ন কাৰণত আধাতে শিক্ষা এৰি যোৱা ছাত্ৰ-ছাত্ৰীসকলক চিনাক্ত কৰি পুনৰ বিদ্যালয়লৈ ঘূৰাই অনাৰ বাবে প্ৰশাসন, শিক্ষা বিভাগ, বিদ্যালয় আৰু সমাজে একেলগে কাম কৰাৰ আহ্বান জনোৱা হয়। জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° অপূৰ্ব কুমাৰ ঠাকুৰীয়া আৰু অতিৰিক্ত আয়ুক্ত অনুসূয়া শৰ্মাই কয় যে, শিক্ষাৰ পৰা কোনো শিশুই যাতে বঞ্চিত নহয়, সেই লক্ষ্যৰে সকলোৰে সমন্বিত প্ৰচেষ্টাই এখন জ্ঞানভিত্তিক, দক্ষ আৰু আত্মবিশ্বাসী সমাজ গঢ়ি তোলাত সহায়ক হ'ব। সভাখনে বিদ্যালয়, অভিভাৱক আৰু প্ৰশাসনৰ মাজত সুদৃঢ় সমন্বয় গঢ়ি তোলাৰ লগতে প্ৰতিজন শিশুক শিক্ষাৰ মূলসুঁতিলৈ সংযুক্ত কৰাৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

# ৰাষ্ট্ৰীয় শিশু সমাৰোহৰ হোজাই জিলা সমিতি গঠন



**মুকুল গোস্বামী, লংকা ঃ** ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ - ২০২৬ বৰ্ষৰ হোজাই জিলা আয়োজক সমিতিখন বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়, শ্ৰীমন্ত শঙ্কৰদেৱ নগৰ, হোজাইত অনুষ্ঠিত এখন সভাত গঠন কৰা হয় বুলি আয়োজক সমিতিয় জানিব দিছে। জিলাখনৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক শ্ৰীৰঞ্জন কুমাৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত ASTEC ৰ পৰা ৰাজ্যিক পৰ্যবেক্ষক হিচাপে ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° উৎপল ফুকন উপস্থিত থাকে। হোজাই জিলাৰ শিশু বিজ্ঞান সমাৰোহৰ প্ৰাক্তন জিলা সমন্বয়ক তাৰা শঙ্কৰ দত্তই এইবাৰৰ সমাৰোহৰ বিষয়বস্তু আৰু কাৰ্যাৱলী সম্পৰ্কে উল্লেখ কৰে। আগন্তুক ২০২৬ বৰ্ষৰ বাবে জিলাখনৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক শ্ৰীৰঞ্জন কুমাৰ ডেকাক সভাপতি আৰু ড° সুজিত ৰঞ্জন আচাৰ্যি, ড° মুস্তাফিজুৰ ৰহমানক উপ-সভাপতি হিচাপে, তাৰা শঙ্কৰ দত্ত আৰু বিমল দাসক মেণ্টৰ সমন্বয়ক হিচাপে,ৰাজকুমাৰ দিক্ষিত আৰু ড° সাথি দে কাৰ্যকৰী সভাপতি, বিজ্ঞান শিক্ষক মৃণাল ভূমিজক জিলা সমন্বয়ক, বিজ্ঞান শিক্ষক দেবাশীষ দাস আৰু ৰাজেশ চৌহানক সহকাৰী সমন্বয়ক হিচাপে সৰ্বসন্মতি ক্ৰমে মনোনীত কৰা হয়। ইয়াৰ উপৰিও ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন বিভাগীয় মুৰব্বী ড° অভিজিৎ কটকী শৈক্ষিক সমিতিৰ সভাপতি, ড° উৎপল ফুকনক কাৰ্যকৰী সভাপতি আৰু উপ-সভাপতি হিচাপে ড° প্ৰদীপ কুমাৰ চাহু, দীপাংকৰ বৰকটকী আৰু ৰাহুল চৌহান; জিলা শৈক্ষিক সমন্বয়ক হিচাপে সুদ্বীপ দেৱৰয় আৰু সহকাৰী জিলা শৈক্ষিক সমন্বয়ক আক্ৰামুল ইছলাম, সুজীত চক্ৰৱৰ্তী, আকাশ সিং, সুৰজ দাসক লৈ এখন শক্তিশালী সমিতি গঠন কৰা হয়। অনুষ্ঠানটিত কেইবাগৰাকী শিক্ষা বিষয়া, হোজাই জিলাৰ কেইবাখনো বিদ্যালয়ৰ প্ৰধান শিক্ষক, সহকাৰী শিক্ষক-শিক্ষয়িত্ৰী, প্ৰাক্তন শিশু বিজ্ঞানী, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ খণ্ড সমন্বয়ক আৰু বিজ্ঞানকৰ্মী উপস্থিত থাকে।

# বাক্সাৰ ৰাঘহব্বিলত বেকী নদীৰ গৰাখহনীয়া অঞ্চল পৰিদৰ্শন পাৰিষদ দিগন্ত গয়াৰীৰ



**খাৰিজা বিজনী, জাহিদুল ইছলাম ঃ** বাক্সাৰ জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত ৰাঘহব্বিল অঞ্চলত বেকী নদীৰ তীব্ৰ গৰাখহনীয়াই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। নদীৰ বাঢ়নী পানী আৰু প্ৰবল সোঁতে অঞ্চলটোৰ বিঘাই বিঘাই কৃষিভূমি আৰু কেইবাটাও বাসগৃহ উটুৱাই নিয়াত স্থানীয় ৰাইজ এতিয়া চৰম বিপৰ্যয়ৰ সন্মুখীন হৈছে। এই স্পৰ্শকাতৰ পৰিস্থিতিৰ বুজ ল'বলৈ আৰু ক্ষতিগ্ৰস্ত লোকসকলৰ কাষত থিয় হ'বলৈ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে বি টি চিৰ কাৰ্যবাহী পাৰিষদ দিগন্ত গয়াৰীয়ে। ৰাঘহব্বিল গাঁৱৰ গৰাখহনীয়া অঞ্চলত উপস্থিত হৈ পাৰিষদ দিগন্ত গয়াৰীয়ে নদীৰ বুকুত জাহ যোৱা কৃষিভূমি আৰু ভাবুকিৰ সৃষ্টি হোৱা জনবসতিপূৰ্ণ এলেকা প্ৰত্যক্ষ কৰে। তেওঁ খহনীয়াৰ ভয়াৱহতা দেখি উদ্বেগ প্ৰকাশ কৰাৰ লগতে আশ্ৰয়হীন হৈ পৰা পৰিয়ালসমূহৰ সৈতে মত-বিনিময় কৰি তেওঁলোকৰ দুখ-দুৰ্দশাৰ বুজ লয়। পাৰিষদগৰাকীৰ সৈতে এই পৰিদৰ্শন কালত বিভাগীয় বিষয়া-কৰ্মচাৰী আৰু স্থানীয় নেতৃবৃন্দও উপস্থিত থাকে। 'বেকী নদীৰ এই খহনীয়াই ৰাঘহব্বিল অঞ্চলত এক ভয়াৱহ সংকটৰ সৃষ্টি কৰিছে। বহু পৰিয়ালে নিজৰ ভেটি-মাটি হেৰুৱাবলগীয়া হৈছে। এই দুৰ্যোগৰ সময়ত বি টি চি চৰকাৰ ভুক্তভোগী ৰাইজৰ লগত আছে। মই ইতিমধ্যে জলসম্পদ বিভাগৰ বিষয়াসকলক তৎকালীনভাৱে প্ৰতিৰোধমূলক ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছোঁ।' পৰিদৰ্শন কালতে পাৰিষদ গয়াৰীয়ে জলসম্পদ বিভাগৰ অভিযন্তা আৰু বিষয়াসকলৰ সৈতে খহনীয়া ৰোধৰ উপায় সন্দৰ্ভত আলোচনা কৰে। নদীৰ গতিপথ সলনি কৰি খহনীয়া নিয়ন্ত্ৰণ কৰিবলৈ geo-bag বা আন সাময়িক প্ৰতিৰোধমূলক সামগ্ৰী ব্যৱহাৰ কৰি জৰুৰীকালীন কাম আৰম্ভ কৰাৰ বাবে তেওঁ নিৰ্দেশ দিয়ে। স্থানীয় ৰাইজে জনোৱা মতে, দীৰ্ঘদিন ধৰি বেকী নদীৰ খহনীয়াই অঞ্চলটো নিচিহ্ন কৰাৰ উপক্ৰম কৰিছে যদিও স্থায়ী সমাধান এতিয়াও ওলোৱা নাই। অৱশ্যে কাৰ্যবাহী পাৰিষদগৰাকীয়ে নিজেই উপস্থিত হৈ ক্ষিপ্ৰতাৰে পদক্ষেপ গ্ৰহণ কৰাৰ আশ্বাস দিয়াত ৰাঘহব্বিলবাসীয়ে এক স্থায়ী সমাধানৰ আশা বুকুত বান্ধিছে।

# বাক্সাত ই এম বেগম আখতাৰা আহমেদৰ ধাৰাবাহিকভাৱে 'বল বম' যাত্ৰাৰ শুভাৰম্ভণি



**প্ৰসন্ন নাথ, বৰপেটাৰোড ঃ** পৱিত্ৰ শাওণ মাহ উপলক্ষে সমগ্ৰ দেশৰ লগতে বাক্সা জিলাতো আৰম্ভ হৈছে শিৱভক্তসকলৰ মাজত বল বম যাত্ৰা। বিগত দুদিনত জিলাখনৰ দুটাকৈ পৃথক স্থানৰ পৰা বল বম যাত্ৰাৰ শুভাৰম্ভ কৰে বিটিচিৰ কাৰ্যবাহী সদস্যা বেগম আখতৰা আহমেদে। ধৰ্মীয় সম্প্ৰীতি আৰু সামাজিক ঐক্যৰ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰে উক্ত শুভাৰম্ভণি অনুষ্ঠানৰ মাজেৰে। অনুষ্ঠানত পতাকা উৰুৱাই যাত্ৰাৰ শুভাৰম্ভ কৰাৰ লগতে সকলো তীৰ্থযাত্ৰীৰ নিৰাপদ, শান্তিপূৰ্ণ আৰু সফল যাত্ৰাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে বেগম আখতৰা আহমেদে। এই যাত্ৰাত অংশগ্ৰহণ কৰা শিৱভক্তসকলে সুলতানগড়, বাবাধাম, বাসুকীনাথ, গয়া, জগন্নাথ মন্দিৰ, দক্ষিণেশ্বৰ, মায়াপুৰ আদি পৱিত্ৰ তীৰ্থস্থানলৈ ৰাওনা হয়। 'ব'ল বম' ধ্বনিয়ে মুখৰিত হৈ উঠে সমগ্ৰ পৰিৱেশ। ভক্তসকলৰ মাজত দেখা যায় গভীৰ ভক্তি, উৎসাহ আৰু আধ্যাত্মিক অনুভূতি। ধৰ্মীয় অনুষ্ঠানত জনপ্ৰতিনিধিৰ উপস্থিতিয়ে ভক্তসকলৰ মনোবল বৃদ্ধি কৰাৰ লগতে প্ৰশাসনৰ সহযোগিতা আৰু নিৰাপত্তাৰ আশ্বাসো কঢ়িয়াই আনে। একে সময়তে এনে অনুষ্ঠানসমূহে বিভিন্ন সম্প্ৰদায়ৰ মাজত পাৰস্পৰিক সৌহাদ্য, সম্প্ৰীতি আৰু সামাজিক ঐক্য অধিক সুদৃঢ় কৰাত সহায়ক হয়। ইয়াৰ উপৰিও বৃহৎ পৰিসৰৰ তীৰ্থযাত্ৰাই স্থানীয় পৰিবহণ ব্যৱস্থা, ক্ষুদ্ৰ ব্যৱসায়ী আৰু বজাৰ ব্যৱস্থাত ইতিবাচক অৰ্থনৈতিক প্ৰভাৱ পেলোৱাৰ সম্ভাৱনাও বৃদ্ধি কৰে। সামগ্ৰিকভাৱে, ধাৰাবাহিক দুদিনৰ বল বম যাত্ৰাৰ শুভাৰম্ভে বাক্সা জিলাত এক আধ্যাত্মিক, উৎসৱমুখৰ আৰু সম্প্ৰীতিৰ পৰিৱেশ গঢ়ি তুলিছে।

# নীটত নগাঁৱৰ ডাছোৱানী ইনষ্টিটিউটৰ শিক্ষাৰ্থীৰ সাফল্য




**বিশেষ সংবাদদাতা, নগাঁও ঃ** প্ৰত্যেক বছৰৰ দৰে এই বছৰো সদ্যঘোষিত সৰ্বভাৰতীয় মেডিকেল প্ৰৱেশ পৰীক্ষাত নগাঁৱৰ অগ্ৰণী শিক্ষানুষ্ঠান ডাছোৱানী ক্লাছেছৰ সফলতাৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। প্ৰতিষ্ঠানখনৰ পৰা এই বছৰত মুঠ অৱতীৰ্ণ হোৱা ১০০ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১০০জনেই মেডিকেল প্ৰৱেশ পৰীক্ষাত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে নীটত সফলতা লাভ কৰা সৰ্বমুঠ ২১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী চিকিৎসা মহাবিদ্যালয়ত অধ্যয়নৰ সুবিধা লাভ কৰিব। ইপিনে নীটত সফলতা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা কেইজনমান ছাত্ৰ-ছাত্ৰী হৈছে ক্ৰমে- নাছিফ আহমেদ ৫৭৭ (সাধাৰণ), ছামিম আলম ৫৪৪ (সাধাৰণ), অকুৰ কলিতা ৫৩৪ (সাধাৰণ), অন্যন্যা ৰয় ৫৮৮ (সাধাৰণ), হিতেশ ঘোষ ৪৮৫ (অ,বি,চি-এন,চি,এন(সাধাৰণ) আৰু বিনীত পুকায়স্থ ৫১১, (সাধাৰণ) নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। শিক্ষানুষ্ঠানখনৰ পৰিচালক ড° প্ৰাঞ্জল কুমাৰ বৰাই জানিবলৈ দিয়া মতে ১৮ বছৰৰ অভিজ্ঞতাৰে শিক্ষাদান আগবঢ়োৱা ডাছোৱানীৰ এই সাফল্যই জিলাখনলৈ এক সুনাম কঢ়িয়াই অনাৰ লগতে প্ৰতিষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱকসকলৰ মাজত এক আনন্দৰ পৰিৱেশ বিৰাজ কৰিছে।

# নগাঁৱত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিদ্ৰোহী কবি নজৰুল ইছলামৰ জন্মজয়ন্তী উদ্‌যাপন




**বিশেষ সংবাদদাতা, নগাঁও ঃ** বিগত বৰ্ষ সমূহৰ দৰে এইবাৰো নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত -জ্যোতিপ্ৰসাদ-নজৰুল জন্মজয়ন্তী উদ্‌যাপন সমিতি, নগাঁৱৰ উদ্যোগত বিপুল উৎসাহ-উদ্দীপনা আৰু জাকজমকতাৰে ভাৰতৰ নৱজাগৰণ আন্দোলনৰ দুই আপোচহীন বলিষ্ঠ বিপ্লৱী প্ৰতিনিধি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিদ্ৰোহী কবি নজৰুল ইছলামৰ জন্মজয়ন্তী উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে প্ৰথম দিনা দিনজোৰা কাৰ্যসূচীৰে পুৱা ৯ বজৰ পৰা চিত্ৰাংকন (জ্যোতিপ্ৰসাদ আৰু নজৰুলৰ প্ৰতিকৃতি অংকন সহ) প্ৰতিযোগিতা, জ্যোতি সংগীত আৰু নজৰুল সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। দ্বিতীয় দিনা পুৱাৰ পৰা জ্যোতি সংগীত অথবা নজৰুল সংগীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ পিছত বিয়লি ৪ বজাত বঁটা বিতৰণী ও আলোচনা সভা অনুষ্ঠিত হয়। জ্যোতি সংগীতৰ ভিত্তিত পৰিৱেশিত এটি সমৱেত সংগীতেৰে আৰম্ভ হোৱা এই আলোচনা সভাখন পৰিচালনা কৰে উদ্‌যাপন সমিতিৰ অন্যতম উপদেষ্টা অৱসৰপ্ৰাপ্ত পশুচিকিৎসক ড° দেৱেন্দ্ৰ নাথ মুক্তিয়াৰে আৰু নিৰ্দিষ্ট বক্তা হিচাপে বক্তব্য ৰাখে ৰূপহী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক আব্দুছ ছবুৰে। বক্তব্য প্ৰসংগত শিল্পী দুগৰাকীৰ জীৱনাদৰ্শৰ মূল্যায়ণ প্ৰসংগত তেওঁ কয় যে, ভাৰতৰ সাম্ৰাজ্যবাদ বিৰোধী স্বাধীনতা আন্দোলনৰ সমসাময়িক কালত দেশৰ নৱজাগৰণ আন্দোলনৰ সৈনিক হিচাপে উভয় গৰাকী শিল্পীয়েই তেওঁলোকৰ সাংস্কৃতিক আন্দোলনৰ আধাৰ হিচাপে গ্ৰহণ কৰিছিল মানৱতাবাদী ভাৱাদৰ্শক। এই ভাৱাদৰ্শৰ ভিত্তিত সিদিনা তেওলোকে সমাজত বৰ্তী থকা ধৰ্মীয় অন্ধবিশ্বাস, কুসংস্কাৰ, সংকীৰ্ণতাৰ পৰা মুক্ত কৰি ইয়াৰ পৰা সৃষ্টি হোৱা ভেদা-ভেদ আৰু অনৈক্য দূৰ কৰি দেশবাসীৰ মাজত সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামত সুদৃঢ় ঐক্য গঢ়ি তোলাৰ লক্ষ্যৰে সাংস্কৃতিক আন্দোলন পৰিচালনা কৰিছিল। ৰাজনৈতিকভাৱে দেশখন স্বাধীন হ'লেও সকলো প্ৰকাৰৰ শোষণৰ পৰা জনতাৰ মুক্তিৰ যি সপোন এই শিল্পীসকলে দেখিছিল সেয়া আজিও অপূৰিত। তেওলোকৰ অপূৰিত সপোন পূৰণৰ দায়িত্ব গ্ৰহণৰ বাবে আগবাঢ়ি অহাটো হৈছে তেওঁলোকৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ সঠিক পথ। আলোচনা সভাৰ অন্তত সাংস্কৃতিক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিযোগীসকলৰ ভিতৰত স্থানপ্ৰাপ্ত সকলৰ মাজত বঁটা বিতৰণৰ কাৰ্যসূচীৰ মাজেৰে অনুষ্ঠান ভাগ সামৰণি পৰে।

# নগাঁৱত যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও নগৰ সমিতিৰ উদ্যোগত আৰ্থিক সাহাৰ্য প্ৰদান



**বিশেষ সংবাদদাতা, নগাঁও ঃ** অসম জাতীয়তাবাদী যুৱ -ছাত্ৰ পৰিষদৰ নগাঁও নগৰ সমিতিৰ উদ্যোগত নগাঁও প্ৰেছ ক্লাৱৰ সভাগৃহত অনুষ্ঠিত এক সভাত আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীক আৰ্থিক সাহাৰ্য প্ৰদান কৰা হয়। পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি প্ৰবাল শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাখন উদ্বোধন কৰে পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক প্ৰাগজ্যোতিষ বনিয়াই পৰিষদৰ নীতি আৰু আদৰ্শৰ বিষয়ে উল্লেখ কৰি কয় যে অসমৰ সৰ্বাঙ্গীন বিকাশৰ বাবে সুদীৰ্ঘ ৪৬ বছৰ ধৰি অবিৰত সংগ্ৰাম কৰি আহিছে। এই সংগ্ৰামৰ সমান্তৰালভাৱে অসমৰ শৈক্ষিক ক্ষেত্ৰখনৰ উত্তৰণৰ বাবেও কাম কৰি আহিছে। তেওঁ লগতে কয় যে আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীক সকাহ দিয়াৰ প্ৰয়াসৰে আৰ্থিক সাহাৰ্য প্ৰদান কৰি অহা হৈছে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ ভবিষ্যত সুৰক্ষিত কৰাৰ বাবে কঠোৰ অধ্যয়নত ব্ৰতী হ'বলৈ আহ্বান জনায়। পৰিষদৰ নগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক হেমন্ত দাস লগতে সভাখনত পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ শিক্ষা সম্পাদক গীতাৰ্থ শইকীয়া, নগাঁও জিলা সমিতিৰ উপদেষ্টা বিপুল শইকীয়া, যুটীয়া সম্পাদক দিব্যজিৎ হাজৰিকা, ক্ৰীড়া সম্পাদক চন্দন বণিয়া, প্ৰচাৰ সম্পাদক দিজু বণিয়া, বিত্ত সম্পাদক চিত্ৰজিৎ কোঁৱৰৰ নগৰ সমিতিৰ সভাপতি, সম্পাদক আদিয়ে অংশগ্ৰহণ কৰে। বিগত দহবছৰ ধৰি পৰিষদৰ নগাঁও নগৰ সমিতিয়ে ব'হাগ বিহুৰ সময়ত হুচৰি পৰিৱেশনৰ জৰিয়তে লাভ কৰে ধনেৰে এই কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে।

# এখনি ব্যতিক্ৰমধৰ্মী প্ৰৱন্ধপুথি লেখিকা সবিতা দেৱীৰ 'বিহুৰে বিৰিণা পাত'




**ৰমেন ভৰালী, বংশৰ ঃ** লোক সাহিত্য জাতিৰ দাপোণ। দাপোণত নিজৰ ছবি দেখাৰ দৰে লোক সাহিত্যৰ মাজেৰেও এটা জাতিৰ সাহিত্য-সংস্কৃতি-কলাৰ পৰিচয় পাব পাৰি। বিহু অসমীয়াৰ লোক উৎসৱ, জাতীয় উৎসৱ, অসমৰ অসমীয়াৰ পৰিচয়। বিহুৰ বিষয়ে বিভিন্ন পুথিৰ অধ্যয়নৰ জৰিয়তে অসমৰ এগৰাকী সুলোখিকা বিভিন্ন গল্প, প্ৰবন্ধ, শিশু সাহিত্য, নাটক উপন্যাসৰ মাজেৰে নিজেক সাহিত্যৰ জগতখনত প্ৰতিষ্ঠা কৰা সবিতা দেৱীয়ে এইবেলি অকল বিহু বিষয়ক ২৭ টাকৈ গৱেষণাধৰ্মী প্ৰৱন্ধ একত্ৰিত কৰি প্ৰৱন্ধ পুথিৰ জৰিয়তে ৰাইজৰ মাজলৈ উলিয়াই দিছে। প্ৰৱন্ধ পুথিখনৰ নামটোয়ো অতি হৃদয়স্পৰ্শী 'বিহুৰে বিৰিণা পাত'। এটি বিহু নামৰ কলি। নামটো চালে পুথিখন হাতত লৈ পঢ়িবৰ মন যায়। ভিতৰতনো লেখিকাই কি লেখিছে? প্ৰৱন্ধ পুথিখনৰ নামটোৰ লগতে বেটুপাতৰ ছবিখনো অতি আকৰ্ষণীয় হাতত জাপিটো লৈ বিহুৰ অলঙ্কাৰ, বিহুৰ পোছাক পিন্ধি যেন বিহু মাৰিবলৈ ওলাই আহিছে এগৰাকী নাচনী। ইয়াৰ জৰিয়তে লেখিকা সবিতা দেৱীৰ ৰঙীয়াল মনৰ পৰিচয় পোৱা যায়। বেটুপাতৰ শিল্পী লাচিত কুমাৰ ডেকালৈয়ো অভিনন্দন জনালোঁ। বিহুৰ বিভিন্ন বিষয়ৰ ওপৰত ২৭ টাকৈ প্ৰৱন্ধৰ একত্ৰীকৰণ লগতে প্ৰবন্ধবোৰৰ লগত সংগতি ৰাখি উল্লেখ কৰা বিহুনাম আৰু সংস্কৃত শ্লোক সমূহৰ ব্যৱহাৰে প্ৰতিটো প্ৰৱন্ধই মনোগ্ৰাহী আৰু তথ্যগধুৰ কৰি তুলিছে। ইয়াৰ লগে লগে অধ্যয়ন পুষ্ট মন আৰু ভাষাৰ প্ৰতি থকা দায়বদ্ধতাৰ পৰিচয় পোৱা যায়। কিতাপখনৰ পাতনিতে দুগৰাকী সু-সাহিত্যিক ড° নৃপেন্দ্ৰ নাথ শৰ্মাদেৱৰ (পুৰোৱাক) লেখিনিয়ে গ্ৰন্থখনৰ বিষয়ে লেখিকাৰ বিষয়ে বহুখিনি কথা প্ৰকাশ কৰিছে। একেদৰে অসমৰ আন এগৰাকী পণ্ডিত গৱেষক সাহিত্যাচায্য পৰাগ কুমাৰ ভট্টাচায্যদেৱেও লেখিকা আৰু পুথিখন সম্পৰ্কে চমু কিন্তু অতি মননশীল ব্যাখ্যা দাঙি ধৰি কিতাপখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। লেখিকা সবিতা দেৱীয়ে পুথিখনত অসমৰ বিহুৰ হুচৰিৰ পৰা আৰম্ভ কৰি বিহুৰ প্ৰায়সকলো বিষয় যেনে-বিহুৰ অতীত-বৰ্তমান, বিহুৰ বিভিন্ন ভাগ মাঘ বিহু, কাতি বিহু, ৰঙালী বিহু, সাত বিহু, অসমীয়া সমাজৰপৰা নিঃশেষ হ'ব ধৰা ঢেকী, বিহুৰ খেল-ধেমালি, খাদ্যভাস, গৰু বিহু, গৰু বিহুত গৰুক পূজা কৰা, গৰুক গা-ধুউৱা, অসমৰ জাপিৰ অতীত-বৰ্তমান, বিহু নামত মাছ-মগৰৰ উল্লেখ, বিহু নামত ফুল, চৰাই, প্ৰকৃতি, অসমৰ নদ-নদী, পাহাৰ-পৰ্বত, অলঙ্কাৰ, নাৰীৰ প্ৰেম-প্ৰীতি আনকি বিহুৰ সময়ত নামনি অসমত হোৱা ভঠেলী উৎসৱৰো বৰ্ণনা দিবলৈ পাহৰ নাই লেখিকাগৰাকীয়ে। 'বিহুৰে বিৰিণা পাত'ত আন এক উল্লেখনীয় বিষয় লেখিকাই সন্নিবিষ্ট কৰিবলৈ পাহৰা নাই, সেয়া হ'ল শতবৰ্ষ পালন কৰি থকা ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ বিহুগীত আৰু বিহুগীতত ব'হাগৰ উল্লেখ নামৰ প্ৰৱন্ধটিৰে। তাৰ লগে লগে সদ্য প্ৰয়াত অসম তথা বিশ্ববন্দিত গীতৰ সম্ৰাট যাক অলপতে অসম সাহিত্য সভাই সংগীত সুধাকৰ সন্মানেৰে বিভূষিত কৰিছে তেওঁৰ ওপৰতো জুবিন গাৰ্গৰ বিহুগীত আৰু গীতত ব'হাগৰ উল্লেখ নামৰ প্ৰৱন্ধটো। এই প্ৰৱন্ধ দুটাই পুথিখন ৰাইজৰ মাজত আৰু বেছি জনপ্ৰিয় কৰি তুলিছে। পুথিখন অসমৰ নৱ প্ৰজন্ম সকলৰ বাবে যথেষ্ট উপযোগী। কাৰণ আমাৰ বহুতে বিহুৰ বহু কথাই বিশদভাৱে নাজানে। এই পুথিখন পঢ়িলে আমাৰ নৱ প্ৰজন্ম যথেষ্ট উপকৃত হ'ব। কিতাপখন বিদ্যালয়, মহাবিদ্যালয় সমূহৰ পুথিভৰালবোৰলৈ গ'লে শিক্ষাৰ্থীসকল উপকৃত হ'ব। পুথিখনে ৰাইজৰ সমাদৰ লাভ কৰক তাৰেই কামনা কৰিলোঁ।

# মৌন প্ৰেম

■ শচীন্দ্ৰ কুমাৰ দাস
পলাশবাৰী

বতাহৰ আগে আগে দৌৰি ফুৰা খাজত নাচোন তোলা আজলী মামনি আজি দেখোন বৰ গহীন আৰু নিমাত হ'ল, আচলতে তাই গাভৰু হ'ল। স্নিগ্ধ পাপৰিৰ দৰে বিকশিত হোৱা তাইৰ লাৱনী দেহত যৌৱনে বসন্ত নমাই আনিলে ঠিকেই, কিন্তু সমাজৰ বান্ধোনে কাঢ়ি ল'লে উশাহৰ স্বাধীনতা। সৰুকালৰ লগৰী অনুপমৰ বাবে বুকুত কঢ়িয়াই লৈ ফুৰা অবুজ প্ৰেমক মনে মনে সাৱতি, দেউতাকৰ সন্মানৰ বাবে তাই চকুলো লুকুৱাই মৌন হৈ ৰ'ল। অৱশেষত চঞ্চলা মামনি কইনা সাজ পিন্ধি আন কাৰোবাৰ পদূলিত ভৰি দিলে আৰু সৰগৰ দেৱগণো বিমুগ্ধ হোৱা তাইৰ সেই দেহতো আনৰ হৈ পৰিল। পদুলিৰ বকুল গছজোপাৰ তলত থিয় হৈ অনুপমে মাথোঁ চাই ৰ'ল। তাই গাভৰু হৈ বিদায় ল'লে, থৈ গ'ল কেৱল এক চিৰদিনীয়া মৌন আৰ্তনাদ।

# নগাঁৱৰ কাতিমাৰিত টমটম চালকৰ পুত্ৰ নীট পৰীক্ষাত উত্তীৰ্ণ

**বিশেষ সংবাদদাতা, নগাঁও ঃ** দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ আৰিফুল ইছলাম নীট উত্তীৰ্ণ আৰিফুলে নীট পৰীক্ষাত ৫৩৭ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে আৰিফুলৰ পিতৃ আবু হানিফা এজন সাধাৰণ টমটম চালক। আৰিফুলে আজমল চুপাৰ ফৰ্টিত নীটৰ কোচিং কৰিছিল। দিনটো দুবেলা দুমুঠি অন্ন যোগাৰ কৰিবলৈ হাড়ভঙা পৰিশ্ৰম কৰা কাতিমাৰী গ্ৰান্টৰ আবু হানিফাৰ ঘৰত শ শ লোকৰ ভিৰ হৈছে চামগুৰি বিজেপিৰ উপ-সভাপতি আহমেদ আলী, হয়বৰগাঁও প্ৰেছ ক্লাৱৰ সম্পাদক মোস্তাফা কামাল, ৰঙাগড়া হুজ পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী ফাতেমা খাতুন, জুৰীয়া প্ৰেছ ক্লাৱৰ সভাপতি প্ৰাঞ্জল শইকীয়া, বৰভেটি পঞ্চায়তৰ উপ-সভাপতি জালাল উদ্দিন আহমেদ, ছলছলি কাতিমাৰী গাঁওৰক্ষী বাহিনীৰ সভাপতি হোছেইন আলী, অভিযন্তা ৰাইহান উদ্দিন, অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ নাগৰিক আলহাজ মতিন চৌধুৰী, বিজেপি নেত্ৰী নাছৰিন চুলতানা, যুৱ সমাজ সেৱক আবু শ্বৰীফকে প্ৰমুখ্য কৰি শতাধিক বিশিষ্ট ব্যক্তিয়ে আৰিফুল ইছলামক শুভেচ্ছা জনাইছে।



# নগাঁও শাখা লেখিকা সংস্থাৰ ৰূপালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভ অনুষ্ঠান সম্পন্ন

## অনুপ্ৰেৰণাই মানুহক কাম কৰাৰ সাহস দিয়েঃ আৰতি শৰ্মা



**নগাঁৱৰ বিশেষ প্ৰতিবেদক ঃ** ‘লেখিকা সংস্থা অসম’ৰ অন্তৰ্গত নগাঁও শাখা লেখিকা সংস্থাৰ ২৫ সংখ্যক বৰ্ষপুতি উপলক্ষে বছৰজোৰা ৰূপালী জয়ন্তীৰ ১৯ জুলাইত শুভাৰম্ভণি অনুষ্ঠান দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। এই উপলক্ষে সেইদিনা নগাঁৱৰ আমোলাপট্টিৰ শঙ্কৰ নাট্যচক্ৰৰা প্ৰাঙ্গণত পুৱা ২৫ খন পতাকা উত্তোলনৰে ৰূপালী জয়ন্তীৰ কাৰ্যসূচী শুভাৰম্ভ হয়। মূল পতাকা উত্তোলন কৰে সংস্থাৰ নগাঁও শাখাৰ সভানেত্ৰী লীনা সন্দিকৈয়ে। ইয়াৰ পিছতে শঙ্কৰ নাট্যচ’ৰা প্ৰাঙ্গণত এটি বকুল ফুলৰ পুলি ৰোপণ কৰাৰ অন্তত স্মৃতি তৰ্পণ অনুষ্ঠান মুকলি কৰে সংস্থাৰ উপদেষ্টা উপমা মজুমদাৰে। ইয়াৰ পিছতে সভানেত্ৰী লীনা সন্দিকৈৰ সঞ্চালনাত এখনি মুকলি সভা অনুষ্ঠিত হয়। সংস্থাৰ নগাঁও শাখাৰ উপদেষ্টা আৰতি শৰ্মাই মুকলি সভাখন উদ্বোধন কৰি লেখিকা সংস্থা অসমৰ সাংগঠনিক দিশৰ কথা উল্লেখ কৰি কয় যে লেখিকা সংস্থাই মহিলা-যুৱতীৰ মাজত সাহিত্য, সংস্কৃতিৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবলৈ কাম কৰি আহিছে। তেওঁ লগতে কয় যে কাম কৰিবলৈ সকলোৰে অনুপ্ৰেৰণাৰ প্ৰয়োজন। কাৰণ অনুপ্ৰেৰণাই মানুহক কাম কৰিবলৈ সাহস যোগায়। সংস্থাৰ নগাঁও শাখাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী বীণা শৰ্মাৰ ‘দৈয়াং আজিও বয়’ নামৰ উপন্যাসখনৰ পৰ্যালোচনা আগবঢ়ায় বিশিষ্ট লেখিকা, সমাজকৰ্মী ৰঞ্জনা দেৱীয়ে। ৰঞ্জনা দেৱীয়ে নিজৰ ভাষণত বীণা শৰ্মাৰ সাহিত্য কৃতিৰ বিষয়ে উল্লেখ কৰি কয় যে বীণা শৰ্মাৰ ‘দৈয়াং আজিও বয়’ উপন্যাসখনত অসমৰ নদীকেন্দ্ৰিক সভ্যতা-সংস্কৃতিৰ লগতে সমাজ জীৱনৰ বিভিন্ন দিশ প্ৰতিফলিত হৈছে। নগাঁও শাখা লেখিকা সংস্থাৰ সম্পাদিকা বন্তি চেতিয়াই আঁতধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত লেখিকা সংস্থা অসমৰ সভানেত্ৰী মামণি গগৈ বৰুৱাই সাংগঠনিক দিশৰ ওপৰত ভাষণ প্ৰদান কৰাৰ লগতে কয় যে আমি বাক্য গাঁথনি আৰু বানানৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া উচিত। সেয়ে শাখা সমিতি সমূহক বছেৰেকত কমেও এখন বা দুখন বানান সম্পৰ্কীয় কৰ্মশালা আয়োজন কৰিবলৈ আহ্বান জনায়। সভাত উপদেষ্টা মঞ্জুলা শৰ্মা ভট্টাচাৰ্য আৰু মৃদুলা শৰ্মাইও ভাষণ প্ৰদান কৰি মহিলাসকলক ভাষা-সংস্কৃতি ৰক্ষাৰ বাবে হাতত কলম তুলি ল’বলৈ আহ্বান জনায়। সভাত প্ৰধান সম্পাদিকা উদয়ন্তী হাজৰিকা দত্ত, সংস্থাৰ মধ্য অসম গোটৰ কাৰ্যকৰী সভানেত্ৰী হেমপ্ৰভা তাছা, সহকাৰী সম্পাদিকা ৰীণা ৰাণী শইকীয়া, নামনি অসম গোটৰ সহকাৰী সম্পাদিকা বিন্দু ডেকা চৌধুৰী আদিয়ে ভাষণ প্ৰদান কৰে। সভাত মামণি শৰ্মা ভট্টাচাৰ্যই এটি গীত পৰিৱেশনেৰে সমবেতসকলক আপ্লুত কৰে। কবি-গীতিকাৰ অনিল শৰ্মা, লেখিকা অৰুণা বড়া, বৈজয়ন্তী খাউণ্ড, তুলু হাজৰিকা, নিজৰা শইকীয়া, অৰুণিমা বৰা, মঞ্জুলা লস্কৰ, ববিতা শইকীয়া, হেমপ্ৰভা কলিতা, মৃণালিনী কোঁৱৰ, বাসন্তী শইকীয়া, শ্যামলীমা শৰ্মা, ৰঞ্জু বৰা লাহন, তিলোত্তমা কোঁৱৰ, লিলি বৰা, সমাজকৰ্মী অশোকৰাম ভট্টাচাৰ্য, প্ৰদীপ দেৱনাথ, মণ্টু শইকীয়া, কংকন বৰা প্ৰমুখ্যে ডেৰ শতাধিক সাহিত্যানুৰাগী লোকৰ উপস্থিতিত জ্যেষ্ঠ সাংবাদিক ক্ৰমে কনক হাজৰিকা, জীতেন বৰকটকী, জয়ন্ত বৰা, প্ৰাঞ্জল বৰদলৈক উদ্যোক্তাসকলে আদৰণি জনায়। সভাৰ আৰম্ভণিতে শাখাৰ সমৱেত সংগীত পৰিৱেশন কৰে। বিয়লি অনুষ্ঠিত হোৱা বিচিত্ৰানুষ্ঠান মুকলি কৰে নগাঁও শাখাৰ উপ-সভানেত্ৰী ৰূপা শইকীয়াই। অনুষ্ঠানত অতিথি শিল্পী মুকুতা ৰাজাৰ উপৰি পূজা শৰ্মা, কবিতা বৰা গায়ন, কুমকুম বৰুৱা, স্বপ্না নিয়োগী (গোৱালপৰীয়া লোকগীত)য়ে গীত পৰিৱেশন, ড° ৰ’জলীন জাহানে ভায়লীন বাদন, গুণদা গোস্বামীৰ ৰচনা আৰু পৰিচালনাত এখনি গীতিআলেখ্য মঞ্চায়ন, গীতা ভৰালীয়ে কবিতা আবৃত্তি কৰাৰ লগতে উপমা মজুমদাৰ, দীপিকা নাথ, পূৰবী চক্ৰৱৰ্তী সূত, ৰঞ্জনা দেৱী, হেমপ্ৰভা বৰা শইকীয়া, ইন্দিৰা ভট্টাচাৰ্য, অৰুণিমা হাজৰিকা, মিনু শইকীয়া, পুস্পাঞ্জলি শইকীয়া, ৰিংকু দত্ত, স্বপ্না ভূএগ আদিয়ে কবিতা পাঠেৰে অনুষ্ঠানটি জীপাল কৰি তোলে।

# শুৱালকুছি ক’লা মহোৎসৱৰ সামৰণি

## ‘শুৱালকুছি ক’লা সন্মান’ বটা আৰু শুৱালকুছি গ্ৰাম্য সূৰ্য বঁটা প্ৰদান



**ৰমেন ভৰালী, বংশৰ ঃ** শুৱালকুছি নটৰাজ ক’লা কেন্দ্ৰৰ উদ্যোগত আৰু ৰাইভি ইন্টাৰনেছনেল সংস্থাৰ সহযোগত শুৱালকুছি ৰাজহুৱা প্ৰেক্ষাগৃহত ১৭ আৰু ১৮ জুলাইত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত শুৱালকুছি ক’লা মহোৎসৱৰ যোৱা নিশা সামৰণি পৰে। যোৱা নিশা অনুষ্ঠিত সামৰণি অনুষ্ঠানত আন কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ সৈতে শুৱালকুছিৰ জ্যেষ্ঠ সাংবাদিক কনক বৈশ্যক ‘শুৱালকুছি ক’লা সন্মান’ বটা প্ৰদান কৰে। জ্যেষ্ঠ সাংবাদিক গৰাকীয়ে লাভ কৰা এনে সন্মানৰ বাবে শুৱালকুছি প্ৰেছ এছোচিয়েচনৰ সভাপতি দিলীপ মেধী আৰু সম্পাদক বিশ্বজিৎ দাসে শুভেচ্ছা জনাইছে। ক’লা সন্মান বটা লাভ কৰা আন ব্যক্তিসকল ক্ৰমে শংকৰী ক’লা কৃষ্টিৰ সাধক মলিন কলিতা, বিশিষ্ট সাংস্কৃতিক কৰ্মী হেমন্ত কলিতা।’ শুৱালকুছি গ্ৰাম্য সূৰ্য বঁটা প্ৰদান কৰা হয় হাজো শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস, শুৱালকুছি ক’লা শিৰোমণি সন্মান আগবঢ়োৱা হয় আন্তঃৰাষ্ট্ৰীয় সত্ৰীয়া নৃত্য শিল্পী ৰামকৃষ্ণ তালুকদাৰ, সংগীত নাটক একাডেমী বঁটা প্ৰাপক বিশিষ্ট অভিনেত্ৰী চেতনা দাস আৰু সত্ৰীয়া নৃত্য শিল্পী ৰিজুমণি শইকীয়াক। সেইদৰে শুৱালকুছি নটৰাজ ক’লা সন্মান লাভ কৰে ইউ এছ এৰ সুনিতা চিকাৰ, দিল্লীৰ ডাক্টৰ মেঘাদীপা দাস, উত্তৰ প্ৰদেশৰ সুধিলে দত্ত বিশ্ব কমা, হাজোৰ ডাঃ পঙ্কজ নমঃ শদ্ৰ, শুৱালকুছিৰ নয়নমণি দাস, ৰঙিয়াৰ ৰূপম ডেকা, আৰু নলবাৰীৰ ধনজিত ডেকাক। উল্লেখ্য যে দুদিনীয়া কৈ অনুষ্ঠিত ক’লা মহোৎসৱৰ প্ৰথম দিনা বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে ডাঃ পঙ্কজ নমঃ শূদ্ৰ, ডাঃ মেঘাদিপা দাস আৰু জগাদীশ কাকতিয়ে। তাৰ পিছত আন্তঃৰাষ্ট্ৰীয় নৃত্য, গীত, বাদ্য, আৰু অভিনয় প্ৰতিযোগিতা আৰু নিশা নৃত্য গীতৰ সমাৰোহ অনুষ্ঠিত হয়। দ্বিতীয় দিনা পুৱা ১১ বজাৰ পৰা বিয়লি ৪ বজালৈ নৃত্য আৰু সংগীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। আবেলি ৫ বজাৰ পৰা বিভিন্ন প্ৰতিযোগিতাৰ বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। নিশা নৃত্য গীতৰ সমাৰোহৰে ক’লা মহোৎসৱৰ সামৰণি পৰে। উল্লেখনীয় যে ক’লা মহোৎসৱত উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰৰ একোটিকৈ দলে তেওঁলোকৰ লোক নৃত্য প্ৰদৰ্শন কৰে।

# বিশাল মঞ্চ আৰু বৃহৎ ধনৰ পুৰস্কাৰেৰে শুৱালকুছিত ৰাজ্যিক ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা

## ৫ আগষ্টৰ পৰা ১৫ আগষ্ট ভিতৰত নাম পঞ্জীয়নৰ শেষ তাৰিখ

**ৰমেন ভৰালী, বংশৰ ঃ** অসমৰ অন্যতম সমাজ সাংস্কৃতিক অনুষ্ঠান ‘শুৱালকুছি সাংস্কৃতিক সন্মিলন’ৰ উদ্যোগত আগত ১৩ চেপ্তেম্বৰ তাৰিখ দেওবাৰে ৰাজ্যিক ভিত্তিত এখনি ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আয়োজন কৰা হৈছে। প্ৰতিযোগিতাৰ সমস্ত নিয়মাৱলী সম্পৰ্কে উদ্‌যাপন সমিতিৰ সম্পাদকদ্বয় নিৰোদ ডেকা আৰু খনিকৰ দাসে জানিবলৈ দি কয় যে, সদৌ অসম ভিত্তিত অনুষ্ঠিতব্য এই মেগা ইভেণ্ট প্ৰতিযোগিতাত ১৪ বছৰ বা তাৰ উৰ্ধৰ অসমৰ প্ৰতিভাৱান প্ৰতিযোগীসকলে নাম পঞ্জীয়ন কৰিব পাৰিব। প্ৰতিযোগিতাত তিনিগৰাকী সৰ্বশ্ৰেষ্ঠ প্ৰতিযোগীক পুৰস্কাৰ হিচাপে, প্ৰথম পুৰস্কাৰ নগদ ৫০ হাজাৰ টকা, বঁটা আৰু মানপত্ৰ, দ্বিতীয় পুৰস্কাৰ নগদ ৩০ হাজাৰ টকা, বঁটা আৰু মানপত্ৰ, তৃতীয় পুৰস্কাৰ নগদ ২০ হাজাৰ টকা, বঁটা আৰু মানপত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ’ব। ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ ক্ষেত্ৰত অসমৰ ইতিহাসৰ সৰ্ববৃহৎ ধনৰাশিৰ পুৰস্কাৰ প্ৰদান কৰা এই প্ৰতিযোগিতাখন দুটা পৰ্যায়ত অনুষ্ঠিত হ’ব। প্ৰতিযোগীসকলে নিজৰ নাম পঞ্জীয়ন কৰি ড° ভূপেন হাজৰিকাৰ কথা আৰু সুৰাৰোপিত যিকোনো এটি গীত ভিডিঅ’ ৰেকৰ্ডিং কৰি ৫ আগষ্ট তাৰিখৰ পৰা ১৫ আগষ্ট তাৰিখৰ ভিতৰত উদ্‌যাপন সমিতিয়ে নিৰ্ধাৰণ কৰা ৯৯৫৪৯৯৩৬২১ হুৱাইটছআপ নম্বৰত নাইবা sualkuchisanskritiksanmilan@gmail.com ইমেইল যোগে পঠাব লাগিব। প্ৰথম পৰ্যায়ৰ সৰ্বশ্ৰেষ্ঠ ৫০ গৰাকী প্ৰতিযোগীয়ে মূল প্ৰতিযোগিতাত অংশগ্ৰহণ সুবিধা লাভ কৰিব। শুৱালকুছি শ্ৰীমন্ত শংকৰ নাটঘৰৰ সুসজ্জিত প্ৰেক্ষাগৃহত মূল প্ৰতিযোগিতাখন ১৩ চেপ্তেম্বৰ তাৰিখে পুৱা ১০.০০ বজাৰ পৰা আৰম্ভ হ’ব। উল্লেখ্য যে, আয়োজক সমিতিয়ে মূল প্ৰতিযোগিতাৰ সকলো প্ৰতিযোগীৰ বাবে বিনামূলীয়া বাদ্য শিল্পী যোগান ধৰিব। ইচ্ছুক প্ৰতিযোগীসকলে প্ৰতিযোগিতা সম্পৰ্কত ৯৯৫৪৯৯৩৬২১ আৰু ৯৪৩৫১০৩৮০৯ দূৰভাষ নম্বৰত সোধা পোছা কৰি ল’ব পাৰিব। ইতিমধ্যে প্ৰতিযোগীসকলৰ নাম পঞ্জীয়ন কৰাৰ সুবিধাৰ্থে ১ জুলাই তাৰিখে নিৰ্ধাৰিত প্ৰ-পত্ৰ আৰু নিয়মাৱলী প্ৰকাশ কৰা হৈছে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সৈতে সামঞ্জস্য ৰাখি শুৱালকুছি সাংস্কৃতিক সন্মিলনে আয়োজন কৰা এই আকৰ্ষণীয় প্ৰতিযোগিতাত অসমৰ চুকে কোণে থকা সমস্ত প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰি মহান শিল্পী গৰাকীৰ প্ৰতি প্ৰকৃতাৰ্থত শ্ৰদ্ধাঞ্জলি নিবেদন কৰিব বুলি শুৱালকুছি সাংস্কৃতিক সন্মিলনে আশা প্ৰকাশ কৰিছে।

# ধিং মহাবিদ্যালয়ত গীতাৰ্থ প্ৰতিম ঠাকুৰীয়াক বিশিষ্ট শিক্ষাবিদ প্ৰশাসক উমেশ চন্দ্ৰ হাজৰিকা সোঁৱৰণত কৃতী ছাত্ৰ বঁটা প্ৰদান



**লক্ষ্যজ্যোতি বৰা ঃ** নগাঁও জিলাৰ ধিঙত যোৱা ২০ জুলাই তাৰিখ সোমবাৰে ধিং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সৌজন্যত অনুষ্ঠিত হোৱা মহাবিদ্যালয়ৰ ৬২ সংখ্যক প্ৰতিস্থা দিৱসটিত ধিং মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে কলা শাখাত সৰ্বোচ্চ লেটাৰ নম্বৰসহ ষ্টাৰ মাৰ্ক ৮৩ শতাংশৰে উত্তীৰ্ণ হৈ ধিং মহাবিদ্যালয়ৰ লগতে ধিং অঞ্চললৈ গৌৰৱ কঢ়িয়াই অনা গীতাৰ্থ প্ৰতিম ঠাকুৰীয়াক মহাবিদ্যালয়ৰ তৰফৰ পৰা আৰু বিশিষ্ট শিক্ষাবিদ প্ৰশাসক উমেশ চন্দ্ৰ হাজৰিকাৰ সোঁৱৰণত শ্ৰেষ্ঠ কৃতী ছাত্ৰ বঁটা আৰু চাৰিহাজাৰ নগদ ধন প্ৰদান কৰে। গীতাৰ্থ প্ৰতিম ঠাকুৰীয়া শিশু উন্নয়ন প্ৰকল্প বিষয়া ৰন্টু ঠাকুৰীয়া আৰু বিশিষ্ট লেখিকা , শিশু আলোচনী ‘মৌ-মাত’ৰ সম্পাদিকা বন্দনা নাথ ঠাকুৰীয়াৰ সুযোগ্য সন্তান।

## শ্বহীদ ভাতৃৰ অতুলনীয় নিদৰ্শন ঃ গাঁঠিৰ ধনেৰে সাজিব মঞ্চ

# বাটসৰত জাতীয় বীৰ শ্বহীদ সুভাষ শৰ্মাৰ ৪২ সংখ্যক মৃত্যু তিথি পালন




**নগেন তালুকদাৰ, নলবাৰী ঃ** দক্ষিণ পকোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু 'প্ৰজন্ম'-ৰ সহযোগত বাটসৰত জাতীয় বীৰ শ্বহীদ সুভাষ শৰ্মাৰ ৪২ সংখ্যক মৃত্যু তিথি শ্ৰদ্ধা আৰু গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত পালন কৰা হয়। অসম আন্দোলনৰ অন্যতম শ্বহীদ সুভাষ শৰ্মাৰ আত্মত্যাগ সোঁৱৰি আয়োজিত কাৰ্যসূচীত বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি, বিশিষ্ট ব্যক্তি তথা স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। উল্লেখ্য যে, 'তৰিলে দেশ মৰিলে স্বৰ্গ, দেশ বুলিলে আদেশ নালাগে, তেজ দিম দেশ নিদিম' এই মহান আদৰ্শৰে অনুপ্ৰাণিত হৈ ১৯৭৯ চনত আৰম্ভ হোৱা ঐতিহাসিক অসম আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল বাটসৰ গাঁৱৰ শ্ৰমজীৱী পৰিয়ালৰ সন্তান সুভাষ শৰ্মাই। ১৯৮৪ চনৰ ১৭ জুলাইত বেলশৰ আৰক্ষী চকীৰ ভিতৰত তদানীন্তন চৰকাৰৰ নিৰ্দেশত চামতাৰ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ সুভাষ শৰ্মাক অতি নিষ্ঠুৰভাৱে হত্যা কৰা হৈছিল। কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত শ্বহীদগৰাকীৰ আৱক্ষ মূৰ্তিত বন্তি প্ৰজ্বলন কৰে শ্বহীদৰ জ্যেষ্ঠ ভাতৃ ৰাকেশ শৰ্মা, কনিষ্ঠ ভাতৃ প্ৰদীপ শৰ্মা, সাংবাদিক নগেন তালুকদাৰ আৰু শ্বহীদ পৰিয়াবৰ্গৰ লগতে মাল্যাৰ্পণ আৰু পুষ্পাঞ্জলি অৰ্পণ কাৰ্যসূচীত 'প্ৰজন্ম'-ৰ সভাপতি দীপ শালৈ, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি দিগন্ত ভৰালী, কবিতা ভট্টাচাৰ্য, মঞ্জু দেৱী, অসম চৰকাৰৰ গড়কাপ্তানী বিভাগৰ সহকাৰী গাণনিক বিষয়া ঋত্বিকা শৰ্মা, দক্ষিণ পকোৱা আঞ্চিলক ছাত্ৰ সন্থাৰ সভাপতি আৰু সম্পাদক ক্ৰমে বংকিম বৰুৱা, ধনজিৎ হালৈ, প্ৰজন্মৰ কাৰ্যকৰী সভাপিত জুলু মহন্ত, প্ৰজন্মৰ সাধাৰণ সম্পাদক সুনয়ন শৰ্মা, পাকিউৰ ৰহমান, প্ৰজন্মৰ মুখপাত্ৰ ৰাফেল চৌধুৰী, প্ৰজন্মৰ সমন্বয়ক নিতু তালুকদাৰ আৰু দ্বিৰূপ তালুকদাৰকে ধৰি বহুসংখ্যক লোকে অংশগ্ৰহণ কৰে। ইয়াৰ পিছত দক্ষিণ বাটসৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত সুভাষ শৰ্মা সোঁৱৰণী মঞ্চৰ আধাৰশিলা স্থাপন কৰা হয়। আধাৰশিলা স্থাপন কাৰ্যসূচীত শ্বহীদৰ কনিষ্ঠ ভাতৃ প্ৰদীপ শৰ্মা আৰু কবিতা ভট্টাচাৰ্যই অংশগ্ৰহণ কৰে। উল্লেখ্য যে কৰ্মসূত্ৰে ৰঙিয়াত থকা শ্বহীদৰ কনিষ্ঠ ভাতৃ প্ৰদীপ শৰ্মাই তেওঁৰ গাঁঠিৰ ধনেৰে কেবা লক্ষ টকা ব্যয়েৰে জাতীয় বীৰ সুভাষ শৰ্মা সোঁৱৰণী মঞ্চখন নিৰ্মাণ কৰি দিব। ছাত্ৰ নেতা দিগন্ত ভৰালীয়ে আঁত ধৰা স্মৃতিচাৰণ সভাত সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি ভৱজিৎ বেজবৰুৱা, কাৰ্যনিৰ্বাহক সদস্য গুণজ্যোতি পাঠক, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰুজউদ্দিন আহমেদ, তন্ময় কাজী, হেমেন কলিতা, 'প্ৰজন্ম'-ৰ উপদেষ্টা নিৰেন চন্দ্ৰ বৈশ্য, নলবাৰী আছুৰ উপদেষ্টা অক্ষয় ডেকা, সাংবাদিক ব্ৰজেন তালুকদাৰ, ৰাজ্যিক কাৰ্যনিৰ্বাহক তনময় কাজি, হেমেন কলিতাকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকি জাতীয় বীৰ গৰাকীক শ্ৰদ্ধাৰে সুঁৱৰি জাতীয় বীৰ শ্বহীদ সুভাষ শৰ্মাৰ আদৰ্শ আৰু আত্মত্যাগ নতুন প্ৰজন্মৰ মাজত চিৰস্মৰণীয় কৰি ৰখাৰ সংকল্প ব্যক্ত কৰে। লগতে বক্তাসকলে শ্বহীদৰ ভাতৃ প্ৰদীপ কলিতাই জাতীয় বীৰ শ্বহীদ গৰাকীৰ নামত গাঁঠিৰ ধনেৰে মঞ্চ নিৰ্মাণ কৰি দিয়া কাৰ্যটোৱে এক অতুলনীয় নিদৰ্শন দাঙি ধৰা বুলিও বক্তব্যত প্ৰকাশ কৰে। প্ৰজন্মৰ উদ্যোগত নৰেশ্বৰ মাহত অনুষ্ঠিত হ'বলগীয়া সদৌ অসম একাংক নাট প্ৰতিযোগিতাত জাতীয় বীৰ শ্বহীদ সুভাষ শৰ্মাৰ নামেৰে এটি বঁটা দিয়াৰ কথাও ঘোষণা কৰে। স্মৃতিচাৰণ সভাখনত প্ৰায় অৰ্ধশতাধিক বিশিষ্ট শিক্ষাবিদ, সাংবাদিক, শিল্পী আৰু সমাজকৰ্মী ফুলাম গামোচাৰে উদ্যোক্তসকলে সম্বৰ্ধনা জনায়। প্ৰজন্মৰ সভাপিত দ্বীপ শালৈয়ে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটিৰ অন্তত স্থানীয় আয়তীসকলে দিহানাম পৰিৱেশন কৰে।

# শ্ৰীশ্ৰীগোপালথান সত্ৰৰ 'শ্ৰীকৃষ্ণৰ সুঁৱৰী মহোৎসৱ'ৰ পঞ্চাশ বছৰ উপলক্ষে 'সোণালী জয়ন্তী মহোৎসৱ'ৰ আৰম্ভণি



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ বংশৰ আমবাড়ীৰ অন্যতম প্ৰাচীন ধৰ্মীয় অনুষ্ঠান শ্ৰীশ্ৰীগোপাল থান সত্ৰৰ 'শ্ৰীকৃষ্ণৰ সুঁৱৰী মহোৎসৱ'ৰ পঞ্চাশ বছৰ উপলক্ষে ১৮ জুলাইত 'সোণালী জয়ন্তী মহোৎসৱ'ৰ বৰ্ষজোৰা কাৰ্যসূচীৰ শুভাৰম্ভণি অনুষ্ঠান অনুষ্ঠিত হয়। সোণালী জয়ন্তী মহোৎসৱ উপলক্ষে পুৱা 'সোণালী জয়ন্তী মহোৎসৱ'ৰ শুভাৰম্ভ অনুষ্ঠানৰ পতাকা উত্তোলন কৰে সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি নগেন দাসে। পতাকা উত্তোলনৰ আগমুহূৰ্তত বন্তি প্ৰজ্বলন কৰে গোপালথান সত্ৰ পৰিচালনা সমিতি (মূল)ৰ সভাপতি পিতৰাম দাসে। বন্তি প্ৰজ্বলন কৰি দিয়া ভাষণত তেওঁ বংশৰৰ ঐতিহাসিক গোপালথান সত্ৰ এখন আধ্যাত্মিক চৰ্চাৰ উপসনাস্থলী। ইয়াত দূৰ-দূৰণিৰ পৰা অহা ভক্তপ্ৰাণ ৰাইজে নিজৰ মনোকামনাৰে নিত্য-নৈমিত্তিক শৰাই, ভোগ আদি দি গোপাল (শ্ৰীকৃষ্ণ)ৰ ওচৰত সেৱা লয়। আনহাতে, বহু লোকে জন্মদিন আদি ধৰ্মীয় পৰম্পৰাৰে উদ্‌যাপন কৰে। গতিকে, এই অনুষ্ঠানটোৱে আধ্যাত্মিক পৰিৱেশেৰে বৃহত্তৰ অঞ্চলটোত গঢ়ি তুলিছে আধ্যাত্মিক শান্তি। তেওঁ পুনৰ কয় যে আধ্যাত্মিক চিন্তা-চৰ্চাই মানুহৰ মন- প্ৰাণ সজীৱ কৰি ৰাখে। তেওঁ এটি সুন্দৰ আধ্যাত্মিক কাব্যিকতা পূৰ্ণ কবিতা পাঠ কৰি সকলোকে আপ্লুত কৰে। সোণালী জয়ন্তী মহোৎসৱৰ পতাকা উত্তোলন কৰি উদ্‌যাপন সমিতিৰ সভাপতি নগেন দাসেও ভাষণ প্ৰসংগত দ্বাপৰ যুগত শ্ৰীকৃষ্ণৰ আৰ্বিভাৱহৈ দুষ্টক দমন আৰু আধ্যাত্মিক জ্ঞানেৰে সমৃদ্ধ সমাজ ব্যৱস্থাৰ বিষয়ে কয়। ইয়াৰ পিছত গণেশ পাঞ্চালী পাঠ কৰে সত্যৰাম দাসে। পুৱা ৯ বজাত অনুষ্ঠিত হয় গণেশ পূজা। ৯.৩০ বজাত ভাগৱত পাঠ কৰে গিৰীশ দাসে। ১০ বজাত অনুষ্ঠিত হয় বীৰনাম প্ৰদৰ্শন। ১২.৩০ বজাত হোমাদিকৃত্য। সন্ধিয়া বন্তি প্ৰজ্বলন আৰু নিশা নাগাৰা নাম পৰিৱেশন কৰে পাঠক সুভাষ নাথে। সোণালী জয়ন্তী মহোৎসৱৰ আৰম্ভণি অনুষ্ঠানটি পৰিচালনা কৰে গোপালথান সত্ৰ পৰিচালনা সমিতিৰ মূল সম্পাদক প্ৰদীপ দাসে।

# বোকাখাতত অত্যাধুনিক বাহন উদ্বোধন কৰে মন্ত্ৰী অতুল বৰাই

**মৃদুস্মিতা শৰ্মা, বোকাখাত ঃ** বোকাখাত পৌৰসভাই পঞ্চদশ বিত্তীয় আয়োগৰ অৰ্থ সাহায্যৰে ক্ৰয় কৰা কেতবোৰ উচ্চপ্ৰযুক্তিৰ আধুনিক যন্ত্ৰপাতি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বোকাখাতৰ বিধায়ক কেবিনেট মন্ত্ৰী অতুল বৰাই। এই উদ্দেশ্যে বোকাখাত পৌৰসভাৰ প্ৰাংগণত আয়োজিত অনুষ্ঠানত মন্ত্ৰী অতুল বৰাই মুঠ ছখন উচ্চপ্ৰযুক্তিৰ অত্যাধুনিক বাহন নিজেই চালকৰ আসনত বহি চলাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। বোকাখাত পৌৰসভাই ৪.৭০ কোটি টকাৰে ক্ৰয় কৰা এই বাহনসমূহ হ'ল আৱৰ্জনা কঢ়িওৱা দুখন ডাম্পাৰ বাহন, জি ভি পি পৰিষ্কাৰ কৰাৰ বাবে ক্ৰয় কৰা এখন গাৰ্বেজ চাকচন বাহন, এখন পথ পৰিষ্কাৰ কৰা ৰোড ছুইপিং বাহন, এখন নলা-নৰ্দমা পৰিষ্কাৰ কৰা মিনি ছুপাৰ স্বাকাৰ বাহন আৰু এখন ধূলি তথা গৰমৰ প্ৰকোপ হ্ৰাস কৰাৰ বাবে ব্যৱহৃত ৱাটাৰ স্প্ৰিংকলাৰ। অত্যাধুনিক এই নতুন বাহন আৰু প্ৰযুক্তিৰ সংযোজনে বোকাখাত পৌৰসভাৰ ১০টা ৱাৰ্ডৰ কঠিন আৱৰ্জনা ব্যৱস্থাপনা, পথ পৰিষ্কাৰ কৰা, নলা-নৰ্দমা পৰিষ্কাৰ কৰা, ধূলি নিয়ন্ত্ৰণ আৰু পৌৰ এলেকা পৰিচ্ছন্নতাৰে ৰখাৰ সামগ্ৰিক ব্যৱস্থাপনাক অধিক ফলপ্ৰসূ আৰু গতিশীল কৰি তুলিব বুলি মন্ত্ৰী বৰাই মন্তব্য কৰে। অনুষ্ঠানত সমজিলা আযুক্ত সুজাতা গগৈ, নেপক'ৰ নৱনিযুক্ত স্বতন্ত্ৰ সঞ্চালক অনিমেষ শইকীয়া, বোকাখাতৰ পৌৰপতি ৰত্নেশ্বৰ বৰুৱা, সহকাৰী আয়ুক্ত তথা ৰাজহ চক্ৰ বিষয়া দেৱাহুতি ডেকা, পৌৰসভাৰ কাৰ্যবাহী বিষয়া সমুজ্বল দাসৰ উপৰি পৌৰসভাৰ বাৰ্ড সদস্যসকলো উপস্থিত থাকে।

# নগাঁও জিলাৰ পুৰণিগুডামত নটবৰ নৃত্য কানন নৃত্য বিদ্যালয়ৰ ব্যৱস্থাপনাত আয়োজন কৰা কৰ্মশালাৰ সফল সামৰণি

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ পুৰণিগুডাম শ্ৰীশ্ৰী ব্ৰহ্মচাৰী সত্ৰৰ শিৱ মন্দিৰ প্ৰাঙ্গণত নটবৰ নৃত্য কানন নৃত্য বিদ্যালয়ৰ ব্যৱস্থাপনাত আয়োজন কৰা কৰ্মশালাৰ সামৰণি অনুষ্ঠানটি সফলতাৰে সম্পন্ন হৈ যায়। অনুষ্ঠানৰ লগত সংগতি কৰ্মশালাত অংশগ্ৰহণ কৰা ৫০ জনৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে ভিন্ন নৃত্য প্ৰদৰ্শন কৰে। ইপিনে মঞ্চতেই সেই অঞ্চলৰে তথা কৰ্মশালাখনিত একাত্মকভাৱে জড়িত থকা বেইবাজনো ব্যক্তিক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। আনহাতে নটবৰ নৃত্য বিদ্যালয়ৰ মুখ্য পৰিচালিকা পূজা ৰানী বৰা আৰু কৰ্মশালাখনিত মুখ্য প্ৰশিক্ষক হিচাপে প্ৰশিক্ষণ প্ৰদান কৰা ৰাহুল সন্দিকৈয়ে উঠি অহা যুৱ চামক নৃত্যৰ জৰিয়তে এখন সুকীয়া মঞ্চ দখল কৰিবলৈ চেষ্টা অব্যাহত ৰাখিব বুলি সামাজিক মাধ্যমৰ জৰিয়তে সমাজ সচেতন লোকসকললৈ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰে।

# কামৰূপ জিলাত জনগণনা ২০২৭ৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ




**পঙ্কজ নাথ, নগাঁও ঃ** জনগণনা ২০২৭ৰ অধীনত গৃহ তালিকাকৰণ কাৰ্য (House Listing Operation-HLO) আৰু গৃহ গণনা সুচাৰুৰূপে সম্পন্ন কৰাৰ লক্ষ্যৰে কামৰূপ জিলাত সোমবাৰে গণনাকাৰী (Enumerators) আৰু তদাৰককাৰী (Supervisors)সকলৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই প্ৰশিক্ষণ ৮ আগষ্ট, ২০২৬ লৈকে পৰ্যায়ক্ৰমে অনুষ্ঠিত হ'ব। জিলাখনৰ পলাশবাৰী, হাজো, বকো, ছয়গাঁও, উত্তৰ গুৱাহাটী, ৰঙিয়া, কমলপুৰ, গৰৈমাৰী, ছমৰীয়া, নগৰবেৰা আৰু কএগাকে ধৰি মুঠ ৰৰটা ৰাজহ চক্ৰত পৰ্যায়ক্ৰমে এই প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। গৃহ তালিকাকৰণ কাৰ্য সঠিক, নিৰ্ভুল আৰু ফলপ্ৰসূভাৱে সম্পাদনৰ বাবে গণনাকাৰী আৰু তদাৰককাৰীসকলক প্ৰয়োজনীয় জ্ঞান, দক্ষতা আৰু কাৰিকৰী দিশসমূহৰ বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰাই ইয়াৰ মূল উদ্দেশ্য। পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত মিৰ্জাস্থিত দক্ষিণ কামৰূপ মহাবিদ্যালয়ত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত উপস্থিত থাকি কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই গণনাকাৰী আৰু তদাৰককাৰী সকলক সম্বোধন কৰে। তেওঁ জনগণনাৰ ক্ষেত্ৰত তথ্য সংগ্ৰহৰ নিৰ্ভুলতা, নিষ্ঠা আৰু জনগণনাৰ নিৰ্দেশনা কঠোৰভাৱে অনুসৰণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে উন্নয়ন পৰিকল্পনা প্ৰস্তুত, নীতি নিৰ্ধাৰণ আৰু চৰকাৰী আঁচনিসমূহ ফলপ্ৰসূভাৱে ৰূপায়ণৰ বাবে নিৰ্ভৰযোগ্য তথ্য অতি প্ৰয়োজনীয়।

## এদিন মনত পৰিব তোমাৰ

**অৰ্ণৱ কটকী**
জাঁজী, যোৰহাট

এদিন তোমাৰো মোলৈ মনত পৰিব
যিদিনা বিলীন হৈ যাম ধোঁৱা আৰু মাটিৰ লগত
সেইদিনাৰ পৰাই আমনি কৰিব তোমাক
মই নামৰ কিছু তিতা মিঠা স্মৃতিয়ে।
আকৌ বিচাৰিবা তুমি মোক তোমাৰ কাষত
প্ৰতিটো আদৰৰ মাজত
প্ৰতিটো কথাৰ ভাঁজত।
মই হে নোৱাৰিম ইচ্ছা কৰিলেও
তোমাৰ দুবাহুৰ মাজত সোমাবলৈ
মৰমেৰে উমাল হ'বলৈ, তোমাক আমনি কৰিবলৈ।
সোৰঁৰণী এখিলা উকা নিৰস পাত হৈ
তোমাৰ নঙলা মুখত সৰি ৰ'ম নিতৌ
স্মৃতিয়ে আমনি কৰা বাটত
বাট চাম নিলগৰ পৰা,
ৰঙা জোন সামৰা ওৰণি তলৰ মুখখনি সৈতে
তোমাৰ মুখৰ হাঁহিটো পুনৰ দেখাৰ অপেক্ষাত।
মই নোহোৱাৰ পিছতো হয়তো মনত পৰিব
তোমালৈ



## নুসুধি নোৱাৰিলোঁ

**জ্যোৎস্না ৰাণী বেগম**
পাঞ্জাবাৰী

ৰঘুনাথ,
কথাটো ভাল নাপালোঁ।
ৰাস্তা বহল কৰিলা বুলিয়ে
আমাক কিয় আঁতৰাই দিলা?
সোঁৱে-বাৱে দুহাত বহল কৰি
শাৰী শাৰীকৈ আমাক
চিকুনাই থ'লে।
কাৰ কি ক্ষতি হ'ব ৰঘুনাথ?
আমাক আঁতৰাই
ভাল কাম নকৰিলা।
গধূলি চৰাইবোৰ উভতি আহি
বাহবোৰ নেদেখি
চিঞৰ-বাখৰ কৰা
শুনা নাই নেকি কোনোৱে?
সহিব নোৱাৰা দুখবোৰ
পাহৰিবলৈ লৈছিলোঁ হে ৰঘুনাথ,
এইবাৰ-
গ্ৰীলেৰে ফুটা কৰি
আমাক পুতলা সজোৱাত
বৰকৈ লজ্জিত হৈছোঁ।
এইবোৰ কিহৰ চমক ৰঘুনাথ?
নুসুধি নোৱাৰিলোঁ।

**ম'বাইল ঃ** ৭০৮৬৪-৩৭৮৭৬

## বাট অথবা পথ

**দুলাল বৰা**
বিশ্বনাথ চাৰিআলি

এটা পাৰেই জন্ম আকৌ একে পাৰেই মৃত্যু
মাজত জীয়াই থকাৰ লেথেৰি নিছিঙা কিছু
খলা-বমা আঘাতৰ চিন
ধূলিৰে পৰিপূৰ্ণ এক অন্তহীন যাত্ৰা
মাজতে আকৌ এচমকা বৈদ্যুতিক সংকেত।
সোঁ-বাওঁ দুইকাষেই সৰু সৰু গড়
তাৰেই দোমোজাত কেতিয়াবা বৈ যায়
সংগ্ৰামৰ বহুতো ইতিহাস
কৰ্মোদ্যমী তথা এলোহুৱা সকলোৱেই
তাকেই সাৰথি কৰি আগবাঢ়ে,
বিচাৰি যেন আলোক-সঞ্চাৰ।
কেতিয়াবা সিহঁতে বিদ্ৰূপৰ হাঁহি মাৰে
তেতিয়া জনতাই অলক্ষিতে চকুলো টোকে,
ক'ত গৈ শেষ হ'ব ইহঁতৰ বুকু কোনেও নাজানে
নিশ্চিহ্ন হোৱাৰ এক অবিৰত অভিযান।
ক্ষণতে ৰুষ্ট, ক্ষণতে আকৌ সন্তুষ্ট
ইহঁতৰ অবুজ স্পন্দন
জীৱন আৰু মৃত্যুৰ মাজৰ এখন আভৰণ
তথাপি সিহঁতৰ গতিশীল।
সূৰ্য্য উদয়ৰ লগত জিলিকি উঠে
আকৌ সন্ধিয়া অস্পষ্ট হয়
ক্লান্তি, আশাহত শব্দৰ সিহঁতৰ বুকুতেই যায় জাহ।
জীৱন মৃত্যুৰ মাজৰ অস্তিত্ব সিহঁত
সংগ্ৰামী ইতিহাসৰো সাক্ষী সিহঁত
নতুনত্বৰে উদ্ভাসিত এক অপৰিহাৰ্য্য অনল
সেয়েহে হয়তো ইহঁতৰ নাম বাট অথবা পথ।

## পংগু চৰাইৰ জীৱন

**প্ৰাণজিৎ দাস,** বাক্সা

চৰাই জাকে পাখি মেলি,
আনন্দতেই উৰি গ'ল।
দেউকা কটা চৰাইটো,
জীৱনৰ শেষ বাটত ৰ'ল।
জীৱনত এক কাল ধুমুহাই,
মনৰ আশা ভাঙি চিঙি গ'ল।
বেদনাৰ পপিয়া তৰাই,
মাত্ৰ হৃদয় জগতত ৰ'ল।
পংগু চৰাইৰ জীৱন,
দুঃখি সজাত বন্দী হ'ল।
মুক্তমনে বনগীত জুৰা,
সপোনবোৰ অথলেই গ'ল।
সঙ্গ এৰা চৰাইটোৱে,
অকলশৰীয়া হৈ ৰ'ল।
হৃদয়ত দুঃখৰ অশ্ৰুধাৰ,
গোটেই জীৱন নৈ হৈ বৈ গ'ল।
নীলিম আকাশৰ তাৰকা হোৱা,
ৰঙীন কল্পনাৰ বিক্ষিপ্ত হ'ল।
মুকলি মনে উৰি ফুৰাৰ আশা যে,
দীৰ্ঘদিন অজানিতে হেৰাই গ'ল।

**ম'বাইল ঃ** ৯৩৬৫৭-২৮১৫৫

## অৰণ্যৰ সীপাৰৰ ঘৰ

**বনজিত দাস**
ৰিহাবাৰী, বজালী

কিমান গভীৰৰ পৰা গভীৰতালৈ গ'লে
অটব্য হাবিত সোমাব পাৰিম,
য'ত বিষাদৰ নৈসৰ্গিক বাট
শুকান পাতৰ দৰে সৰি পৰে নীৰৱে
দুপৰ নিশাৰ বুকুত পখীটি বিনাই।
য'ত স্মৃতিৰ ছাঁই বনত
বতাহে গোপনে গীত গায়
বুকুৰ নিভৃত কোণত
অশ্ৰুৱে নিজাকৈ ঘৰ সাজে।
কিমান গভীৰৰ পৰা গভীৰতালৈ গ'লে
অটব্য হাবিত সোমাব পাৰিম,
মানচিত্ৰহীন শব্দহীন
মাথোঁ নীৰৱতাৰ দীঘল উশাহ
য'ত হেৰাই যায় দুখৰ ঠিকনাবোৰ
সময়ে আঁকি যায়
নীৰৱতাৰ আঁৰত অদেখা ইতিহাস।
কিমান নীৰৱতা সাৱটি ল'লে
গভীৰতাৰ পৰা গভীৰতালৈ গ'লে
দুখবোৰে নিজকে চিনিব নোৱাৰে
দুপৰ নিশাৰ বুকুত পখীটি বিনাই
চকুৰ কোণত জমা হোৱা অশ্ৰুৰ ভাষা
তথাপিও বুকুৰ গোপন কোণত
শব্দত জীয়াই থাকে
জীৱনৰ আশা
গভীৰৰ পৰা গভীৰতালৈ
অৰণ্যৰ ভিতৰলৈ
এখন পৃথিৱী।

## মা

**শচীন্দ্ৰ কুমাৰ দাস**
পলাশবাৰী

অতুলনীয় এক পবিত্ৰ শব্দ- 'মা',
যাৰ আঁচলৰ ছায়াত জুৰায় তপ্ত গা।
মা মানে কি?
মা মানেই বুকুৰ গভীৰত অপাৰ সাহস,
জীয়াই থকাৰ এক চিৰন্তন প্ৰেৰণা।
আগুৱাই যোৱাৰ অনাবিল উৎস মা,
জীৱন-আদৰ্শৰ এক অনন্য দিশা;
যিয়ে দেখুৱায় পোহৰৰ শুভ গতি।
মা মানেই এক নিৰাপদ আশ্ৰয়ৰ স্থল,
মা মানেই শক্তি, প্ৰাণৰ কোলাহল।
মা হ'ল শান্তিৰ এক স্নিগ্ধ চানেকি,
দয়াৰ সাগৰ, স্নেহৰ অলকানন্দা।
মা হ'ল দৰদী, হিয়াৰ একোখিলা আমঠু,
মা যে আমাৰ জীৱনৰ পৰম গুৰু।
মা আমাৰ কেতিয়াও নহয় ভীৰু,
মা হ'ল জীৱন-বাটৰ এক সুচল পথ।
মা হ'ল ভাগৰুৱা জীৱনৰ শেষ আশ্ৰয়,
মা মানেই ওঁঠৰ একোটি মিঠা হাঁহি,
মা মানেই হৃদয় জুৰোৱা সংগীতৰ ধ্বনি।
মা হ'ল জননী, মা হ'ল ধৰণী,
মা হ'ল পৃথিৱী, মা হ'ল জন্মদাত্ৰী।
মা মানেই সমগ্ৰ বিশ্বৰ সমস্ত সত্তা,
মা মানেই অভ্যস্ত স্নেহৰ আশীৰ্বাদ।
মা মানেই কৰ্মফল, মা মানেই সৃষ্টি,
মা আদি, মা অনাদি, মা প্ৰেমৰ বৃষ্টি।
মা মানেই আমাৰ অতীতৰ সোণালী স্মৃতি,
বৰ্তমানৰ সাহস আৰু ভৱিষ্যতৰ আৰাধনা।

## সঁফুৰা

**প্ৰভাত বণিয়া**

তুমি আহিলে জোনাকে মিতালি পাতে
সঁজাল ধৰে মোৰ ধূসৰিত সপোন
ৰিক্ত হৃদয়খন এবুকু মৰমত উতলা হয়
নভবাকৈ দোলনা লাগে মনত
নিস্পৃহ অসাৰ অস্পৃশ্য মূমূৰ্ষ জীৱন পুনৰ সাৰ
পায়
মেৰাই ধৰা তুমি মাধৱীলতাৰ দৰে
ভৰুণ হয় পৃথিৱী, আকাশ, বতাহ
ৰিমঝিম বৰষুণ পৰিছে
আজি প্ৰাণোচ্ছল মোৰ হিয়াৰ
কলনি।


## মাখি

**হেৰম্ব নাথ**

মাখি এটা বাৰে বাৰে
ঠানুৱা মুখখনত পৰিছিল
কোনোবা এঠাইত চাগে
ঘাঁ লাগিছিল
কিন্তু সেয়া নহয়
মুখখনত বীজানু বিয়পাব বিচাৰিছিল
মাখিটোৰ নাম আছিল ঈৰ্ষা

**ম'বাইল ঃ** ৭০০২৭-৯৭৫৪০

# বেবেজীয়াৰ গণিত বিষয়ৰ জনপ্ৰিয় শিক্ষক, সমাজ সংগঠক, প্ৰবীন অভিনেতা ৰতি কান্ত শৰ্মাৰ জীৱনাৱসান



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ বেবেজীয়াৰ নিৱাসী অৱসৰী প্ৰধান শিক্ষক, সমাজ সংগঠক, প্ৰবীন অভিনেতা ৰতি কান্ত শৰ্মাৰ নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটে। জানিব পৰা মতে, যোৱা শুকুৰবাৰে পুৱাৰ ভাগত শাৰীৰিকভাৱে অসুস্থ হৈ পৰা শৰ্মাক পৰিয়ালৰ লোকে ততাতৈয়াকৈ চিকিৎসালয়ত ভৰ্তি কৰায় যদিও নিশা প্ৰায় বাৰ বজাত তেওঁ চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৬ বছৰ। ১৯৪০ চনৰ ৯ আগষ্টত জন্মগ্ৰহণ কৰা প্ৰচুৰ মেধাসম্পন্ন শৰ্মাই উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ৰহাৰ নৰ্মাল স্কুলৰ পৰা শিক্ষকতা আৰু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় (নৈশ শাখা)ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। ইয়াৰ পিছত তেওঁ বেবেজীয়াৰ সমীপৰ ঘাঁহী চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে কৰ্ম জীৱন আৰম্ভ কৰি পৰৱৰ্তী সময়ত প্ৰধান শিক্ষক ৰূপে ২০০৩ চনৰ ৩১ জানুৱাৰীত অৱসৰগ্ৰহণ কৰে। কলংপৰীয়া অঞ্চল বৃহত্তৰ ঘাঁহীৰ জনসাধাৰণৰ মাজত গণিত বিষয়ৰ জনপ্ৰিয় শিক্ষক হিচাপে সুপৰিচিত শৰ্মাক নিজৰ কৰ্ম দক্ষতাৰ স্বীকৃতি হিচাপে কৃতী শিক্ষক বঁটাৰে সন্মানিত কৰা হৈছিল। শিক্ষকতাৰ সমান্তৰালভাৱে শৰ্মাই বেবেজীয়া আঞ্চলিক সাৰ্বজনীন পূজা মন্দিৰ আৰু বেবেজীয়া আঞ্চলিক ব্ৰাহ্মণ সমাজৰ সম্পাদকৰ দৰে গুৰু দায়িত্ব বহন কৰাৰ লগতে স্থানীয় অঞ্চলৰ বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানৰ জড়িত সক্ৰিয়ভাৱে জড়িত থাকি সমাজৰ হকে নিষ্ঠাৰে সেৱা আগবঢ়াই আহিছিল। অভিনয় ক্ষেত্ৰখনটো দখল থকা শৰ্মা অংকীয়া নাটৰ এজন সুদক্ষ অভিনেতা আছিল। বহু গুণধাৰী, সৰবৰহী ব্যক্তি শৰ্মাৰ বিয়োগত বৃহত্তৰ অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। ইফালে, শনিবাৰে শৰ্মাৰ নশ্বৰদেহ নিজ বাসগৃহত আহি পোৱাৰ লগে লগে বহু গুণমুগ্ধ তথা অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকল তেওঁৰ বাসগৃহত সমৱেত হৈ নশ্বৰদেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ পিছত এক শোকাকুল পৰিৱেশত নগাঁও চহৰৰ আমোলাপট্টিৰ ৰাজহুৱা শ্মশানত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। সৎ, অমায়িক আৰু সৰল মনৰ শৰ্মাৰ মৃত্যুত নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, প্ৰাক্তন বিধায়ক গিৰীন্দ্ৰ কুমাৰ বৰুৱা, বেবেজীয়া আঞ্চলিক পূজা মন্দিৰ, বেবেজীয়া আঞ্চলিক ব্ৰাহ্মণ সমাজ, মাহৰিআটি হৰিহৰ দেৱালয়, আৰ্য্য জাতীয় বিদ্যালয়, ঘাঁহী চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়, ক'নচেপ্ট জুনিয়ৰ কলেজ, ডাছৰানী গ্ৰুপ অফ ইনষ্টিটিউট, বেবেজীয়া আঞ্চলিক শাখা সাহিত্য সভা, বেবেজীয়া প্ৰগতি সংঘ, বেবেজীয়া আঞ্চলিক নাট্য সন্মিলন, প্ৰেছ ক্লাব- বেবেজীয়া, নগাঁও প্ৰেছ ক্লাৱ, নগাঁও জিলা আপকু, নগাঁও জিলা বাৰ্তাজীৱি সংঘ, নগাঁও প্ৰিণ্ট মিডিয়া এছ'চিয়েশ্বন, নগাঁও ইলেক্ট্ৰনিক মিডিয়া এছ'চিয়েছন আদিকে ধৰি বহু অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ, এগৰাকীকৈ জীয়ৰী, বোৱাৰী, জোঁৱাই, দুই নাতিসহ অনেক আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়।

প্ৰথম পৃষ্ঠাৰ পৰা

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এখন শক্তিশালী, সমৃদ্ধ আৰু আত্মনিৰ্ভৰ অসমৰ দূৰদৰ্শী

উন্নত অসম গঢ়াৰ বাবে থিৰ ভেটি প্ৰস্তুত কৰিছে। যোৱা কেইবছৰমানত ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্বত অসমে অভাৱনীয় বিকাশৰ গতি দেখিছে। তেখেতৰ চৰকাৰে সদায় স্বচ্ছ প্ৰশাসন, কল্যাণমুখী আঁচনিৰ সু-কুশল ৰূপায়ণ আৰু আন্তঃগাঁথনিত বৃহৎ বিনিয়োগক গুৰুত্ব দিছে, যাৰ ফলত অসম ভাৰতৰ আটাইতকৈ দ্ৰুত বিকাশশীল ৰাজ্যৰ অন্যতম হৈ উঠিছে। ২০২৬-২৭ ৰ বাজেটে ভৱিষ্যতৰ বাবে এখন স্পষ্ট ৰূপৰেখা দি এই বিকাশৰ গতি আৰু দৃঢ় কৰিছে।

**শক্তিশালী অৰ্থনীতি আৰু বৰ্ধিত সমৃদ্ধি**

বাজেটত উজাগৰ কৰা আটাইতকৈ উল্লেখযোগ্য সাফল্য হৈছে অসমৰ অৰ্থনৈতিক বিকাশ। বিগত দশকতকৈ আয় ৩ গুণতকৈও অধিক বৃদ্ধি পাইছে - ২০১৫-১৬ চনত ৬০,৮১৭ টকাৰ পৰা ২০২৫-২৬ চনত ১,৮৫,৪২৯ টকালৈ উঠিছে। ৰাজ্যৰ নিজা কৰ ৰাজহো বহু বৃদ্ধি পাইছে। ২০১৫-১৬ চনত ১২,৮৪৮ কোটি টকাৰ পৰা ২০২৫-২৬ চনত ৩৯,২৯৪ কোটি টকালৈ বৃদ্ধি পাইছে। চৰকাৰে ২০৩১ চনৰ ভিতৰত এই নিজা ৰাজস্বৰ অংশ ৫০শতাংশ লৈ নিয়াৰ লক্ষ্য থিৰ কৰিছে।

**আন্তঃগাঁথনিত অভিলেখ বিনিয়োগ**

বিকাশৰ আটাইতকৈ ডাঙৰ ভেটি হৈছে আন্তঃগাঁথনি। ৰাজ্যৰ মূলধনী ব্যয় ২০১৫-১৬ চনত ২,৯৫১ কোটি টকাৰ পৰা ২০২৫-২৬ চনত ২৬,৫৩১ কোটি টকালৈ বৃদ্ধি পাইছে।

**মুখ্য ঘোষণাসমূহ**

১। অসম মালা ৪.০ ঃ ১০,০০০ কোটি টকা খৰচ কৰি পৰৱৰ্তী ৫ বছৰত ৮০০ কিঃমিঃ উন্নত পথৰ নিৰ্মাণ।

২। ৫,০০০ কোটি টকাৰ Mega Project ঃ গুৱাহাটী ৰিং ৰোড, শিলচৰ হাই-স্পীড কৰিড'ৰ, কাজিৰঙা Elevated Corridor, গহপুৰ-নুমলীগড় টানেল ৩. ১,৪০০ কোটি টকাৰ মাজুলী-যোৰহাট সেতু ঃ ২০২৭ চনৰ ডিচেম্বৰ ভিতৰত সম্পূৰ্ণ হ'ব।

**নিযুক্তি আৰু যুৱ সশক্তিকৰণ**

চৰকাৰৰ আটাইতকৈ ডাঙৰ অগ্ৰাধিকাৰ হৈছে নিযুক্তি। যোৱা ৫ বছৰত ১.৬৪ লাখ চৰকাৰী চাকৰি দিয়াৰ পিছত, পৰৱৰ্তী ৫ বছৰত আৰু ২ লাখ নিযুক্তিৰ লক্ষ্য ঘোষণা কৰিছে। ই বিজেপি সংকল্প পত্ৰৰ প্ৰতিশ্ৰুতি পূৰণৰ প্ৰতীক।

**কৃষকৰ বাবে**

কৃষিক অসমৰ অৰ্থনীতিৰ মেৰুদণ্ড বুলি মানি 'মুখ্যমন্ত্ৰীৰ কৃষি সা-সঁজুলি যোজনা' চলাই থাকিব। PM-KISAN ৰ লগত সংযোগ কৰি প্ৰতিজন যোগ্য ক্ষুদ্ৰ আৰু প্ৰান্তীয় কৃষকে বছৰি ১১,০০০ টকা পাব।

**সামাজিক সুৰক্ষা**

১। শ্বহীদ কুশল কোঁৱৰ সৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনিৰ অধীনত বৃদ্ধ পেঞ্চন

২। অৰুণোদয় প্লাছৰ জৰিয়তে বিধৱা পেঞ্চন

৩। আগষ্টৰ পৰা ৬২১ জন উদাসীন ভক্তক প্ৰতি মাহে ১,৫০০ টকা - অসমৰ নৱ-বৈষ্ণৱীয় ঐতিহ্য ৰক্ষাৰ বাবে।

**শিক্ষা আৰু ছাত্ৰ কল্যাণ**

SC, ST, OBC, চাহ জনজাতি, জনজাতি আৰু দিব্যাংজন ছাত্ৰৰ বাবে বৃত্তি, প্ৰতিযোগিতামূলক পৰীক্ষাৰ আৰ্থিক সাহাৰ্য। ২০২৬-২৭ চনত ৩.৭৫ লাখতকৈও অধিক ছাত্ৰ উপকৃত হ'ব।

**মহিলা কেন্দ্ৰিক কল্যাণ**

চাহ বাগিচাৰ গৰ্ভৱতী মহিলাই ১৫,০০০ টকাকৈ মাতৃ স্বাস্থ্য আৰু পুষ্টি সাহায্য পাই থাকিব। এই বছৰ ৩৫,০০০ মহিলা উপকৃত হ'ব।

**শক্তি খণ্ডৰ ৰূপান্তৰ**

পৰৱৰ্তী ৫ বছৰত ঃ ১৫,০০০ circuit km লাইন, ১২০ খন নতুন উপকেন্দ্ৰ, ২০,০০০ ট্ৰেন্সফৰ্মাৰ বহাব। T&D Loss 13.4% ৰ পৰা 8% লৈ কমোৱাৰ লক্ষ্য।


**নগৰ উন্নয়ন**

অসম নগৰ উন্নয়ন অভিযানৰ জৰিয়তে নতুন নগৰ কেন্দ্ৰ গঢ়ি উঠিব। LGBI বিমানবন্দৰৰ চাৰিওফালে Aerotropolis আৰু নতুন ব্ৰহ্মপুত্ৰ সেতু নিৰ্মাণ হ'ব। GSCDA ৰ জৰিয়তে গুৱাহাটীক উত্তৰ-পূৰ্বাঞ্চলৰ ডাঙৰ Gateway হিচাপে গঢ়ি তোলা হ'ব।

**উপসংহাৰ**

এই বাজেট অসমৰ ভৱিষ্যতৰ প্ৰতি বিশ্বাসৰ ঘোষণা। দৃঢ় সংস্কাৰ, কৌশলগত বিনিয়োগ আৰু স্পষ্ট বিকাশৰ দূৰদৰ্শিতাৰ জৰিয়তে চৰকাৰে অৰ্থনৈতিকভাৱে সক্ৰিয়, সামাজিকভাৱে সৰ্বাংগীণ আৰু বিশ্ব-স্তৰীয় প্ৰতিযোগিতাপূৰ্ণ অসমৰ ভেটি প্ৰস্তুত কৰিছে। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্বত অসমে বিশ্বাস, অগ্ৰগতি আৰু ৰূপান্তৰ নতুন যুগত প্ৰৱেশ কৰিছে।

## নগাঁৱত যুৱ লেখিকা তানিচা য়াচমিনৰ গ্ৰন্থ উন্মোচনী অনুষ্ঠান




**লক্ষ্যজ্যোতি বৰা ঃ** উত্তৰ-পূৰ্ব লোক-সংস্কৃতিৰ গৱেষণা কেন্দ্ৰ, নগাঁৱৰ আৰ্হিত নৱপ্ৰজন্মৰ লেখিকা তানিচা য়াচমিনৰ প্ৰথমখন উপন্যাস 'The Beauty of Being Me' উন্মোচন কৰা হয় । যোৱা ২২ জুলাই তাৰিখ বুধবাৰে দিনৰ ১১-৩০ বজাত মোস্তাকিন শ্বেখে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত উপন্যাসখন উন্মোচন কৰে লেখিকাৰ মাতৃ চামচুন নেহাৰ, শিশু সাহিত্যিক দুলাল বৰা, নগাঁও চৰকাৰী উঃমাঃ বিদ্যালয়ৰ শিক্ষক ড° মুন মুন বৰা, শিক্ষক আদিলুৰ ৰহমান তথা কিৰণবালা বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী দেবজানী ভূএগ আৰু লোক-সংস্কৃতিৰ গৱেষক হেমন্ত কুমাৰ শইকীয়াই। তাৰোপৰি ছাত্ৰ প্ৰিয়ানুজ কলিতা, ভাৰ্গৱ শইকীয়া, স্তুতীনন্দা শইকীয়া, আইমনি হাজৰিকা আদিয়ে কবিতা আবৃত্তি, গীত পৰিৱেশন আৰু বক্তৃতা প্ৰদানেৰে অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানৰ সফল ৰূপায়ণ হোৱা বাবে যুৱ লেখিকা তানিচা য়াচমিনে উপস্থিত সকলোলৈকে কৃতজ্ঞতা প্ৰকাশ কৰে।

## নগাঁৱৰ ফিজিক্সৱালা বিদ্যাপীঠ পাঠশালাত নীট পৰীক্ষাত সফলতা লাভ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা



**বিশেষ সংবাদদাতা, নগাঁও ঃ** প্ৰত্যেক বছৰৰ দৰে এই বছৰো সদ্যঘোষিত সৰ্বভাৰতীয় মেডিকেল প্ৰৱেশ পৰীক্ষাত নগাঁৱৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান ফিজিক্সৱালাই সফলতাৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। প্ৰতিষ্ঠানখনৰ পৰা এই বছৰত নীট পৰীক্ষাত অৱতীৰ্ণ হোৱা মুঠ ১০০ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১০০জনেই মেডিকেল প্ৰৱেশ পৰীক্ষাত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে শিক্ষানুষ্ঠানখনৰ পৰা নীটত সফলতা লাভ কৰা সৰ্বমুঠ ১৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী চিকিৎসা মহাবিদ্যালয়ত অধ্যয়নৰ সুবিধা লাভ কৰিব। শিক্ষানুষ্ঠানখনৰ পৰা ৰাজবীৰ বৰাই (৫৮৭) সৰ্বোচ্চ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে প্ৰতিষ্ঠানখনৰ কৰ্তৃপক্ষৰ ফালৰ পৰা জানিবলৈ দিয়া মতে- ইতিমধ্যে শিক্ষানুষ্ঠানখনত অষ্টম মানৰ পৰা দশম মানলৈ ছেৱা আৰু চি,বি,এ,চি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অলিম্পিয়াড পৰীক্ষাৰ প্ৰস্তুতি, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ অধ্যয়নৰ লগতে নীট আৰু জে,ই,ই পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে কোচিংৱো ব্যৱস্থা আছে। উল্লেখ্য যে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ নীট-জে,ই,ই পৰীক্ষাত সফলতা লাভ কৰিব নোৱাৰা ছাত্ৰ-ছাত্ৰী সকলৰ বাবে অহা ২৮ জুলাই কৰা পুনৰ পাঠদানৰ ব্যৱস্থা কৰা হৈছে বুলি শিক্ষানুষ্ঠানখনৰ কৰ্তৃপক্ষৰ ফালৰ পৰা জানিবলৈ দিয়ে। তদুপৰি শিক্ষানুষ্ঠানখনৰ ফালৰ পৰা মেডিকেল প্ৰৱেশ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ১৫ গৰাকী ছাত্ৰ-ছাত্ৰীক কেক কাটি বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়।

## দদৰাত কৃষকৰ মাজত ভূমি স্বাস্থ্য পত্ৰ আৰু গছৰ পুলি আৰু কৃষি-উপযোগী সামগ্ৰী বিতৰণ

জিলা কৃষি বিষয়া কাৰ্যালয়ৰ উদ্যোগত দদৰাস্থিত জ্ঞান কেন্দ্ৰত ২১ জুলাইত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ দাসে কৃষকসকলৰ মাজত ভূমি স্বাস্থ্য পত্ৰ (Soil Health Card) বিতৰণ কৰাৰ লগতে উত্তৰ-পূব আৰু হিমালয়ৰ পাদদেশীয় ৰাজ্যসমূহৰ বাবে উদ্যান শস্য অভিযান (HMNEH)-ৰ অধীনত গছৰ পুলি আৰু কৃষি-উপযোগী বিভিন্ন সামগ্ৰী বিতৰণ কৰে। কৃষকসকলৰ মাজত ভূমি স্বাস্থ্য পত্ৰ বিতৰণ কৰাৰ লগতে উত্তৰ-পূব আৰু হিমালয়ৰ পাদদেশীয় ৰাজ্যসমূহৰ বাবে উদ্যান শস্য অভিযানৰ অধীনত গছৰ পুলি আৰু কৃষি-উপযোগী বিভিন্ন সামগ্ৰী বিতৰণ কৰি বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে আৰু কয় যে সুস্থ মাটি, উন্নত কৃষি আৰু আত্মনিৰ্ভৰশীল কৃষকৰ লক্ষ্যৰে গ্ৰহণ কৰা এই পদক্ষেপসমূহে কৃষি উৎপাদন বৃদ্ধি কৰাৰ লগতে কৃষকসকলক বৈজ্ঞানিক কৃষি পদ্ধতি গ্ৰহণত অধিক উৎসাহিত কৰিব। তেখেতে ভাষণ প্ৰসংগত আৰু কয় যে 'সবল কৃষকেই সমৃদ্ধ অসমৰ ভেটি।' কৃষকৰ কল্যাণ আৰু কৃষিৰ উন্নয়নৰ এই যাত্ৰা আগন্তুক দিনতো একেই উদ্যমে অব্যাহত থাকিব বুলি কয়। অনুষ্ঠানত কামৰূপ জিলা কৃষি বিষয়া হিতেশ বেজবৰুৱা, মাটি আৰু স্বাস্থ্য বিভাগৰ ৰাজ্যিক ন'ডেল বিষয়া অৰ্পণা দাস, ৰাজ্যিক ন'ডেল বিষয়া সংগীতা নাজিৰ, কৃষি সম্প্ৰসাৰণ বিষয়া গিৰিণ শৰ্মা, মধুমিতা কলিতা, ত্ৰিবেণী দত্ত, বংশৰৰ কৃষি বিষয়া ভাস্বতী শৰ্মা, পাৰ্থ জ্যোতি বৰুৱা, ডেনিম বৰা, অম্লান জ্যোতি ডেকা আদি উপস্থিত আছিল।

## বানত আক্ৰান্ত লোকক সকলো প্ৰকাৰৰ সহায় কৰিব

ক্ষণ হিচাপে বিবেচিত হৈ ৰ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসমৰ জলসম্পদ আৰু বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী সুশান্ত বৰগোঁহাইৰ লগতে কেবিনেট মন্ত্ৰী ক্ৰমে বিমল বড়া, কেশৱ মহন্ত আৰু অজন্তা নেওগ ডাঙৰীয়ানীৰ নেতৃত্বত বানপীড়িত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য কাৰ্য তদাৰক কৰাৰ দায়িত্ব অৰ্পণ কৰিছে। ইতিমধ্যে প্ৰশাসনে হেলিৰপ্টাৰৰ সহায়ত উদ্ধাৰ আৰু সাহায্য অভিযানো তীব্ৰতৰ কৰি তুলিছে। ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতিক লৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকাই বিধানসভাক অৱগত কৰায় যে স্বাভাৱিক প্ৰাকৃতিক দুৰ্যোগ বা বান পৰিস্থিতিৰ বাবে চৰকাৰে সদায় সাজু থাকে। কিন্তু চৰাইদেউ, শিৱসাগৰ, নাজিৰা, যোৰহাটৰ অভাৱনীয় বান পৰিস্থিতি আকস্মিক। যাৰ বাবে চৰকাৰে বা প্ৰশাসনে সাজু হোৱাৰ বাবে সময় নাপালে। কিন্তু দুৰ্যোগপীড়িত জনতাক সৰ্বতোপ্ৰকাৰে সহায় চৰকাৰে কৰিব বুলি বিধানসভাক অৱগত কৰে। শেহতীয়া ভয়াৱহ বান পৰিস্থিতিয়ে বহু পৰিয়ালৰ সপোন ঘৰ-দুৱাৰ আৰু জীৱন-জীৱিকাত গভীৰ আঘাত সানিছে। এই কষ্টৰ সময়ত আমাৰ চৰকাৰে আৰু আমাৰ দলে স্বাভাৱিক অৱস্থা ঘুৰি নহালৈকে প্ৰতিটো পৰিয়ালৰ সৈতে দৃঢ়ভাৱে থিয় হ'ব বুলি এক প্ৰেছ বিজ্ঞপ্তিযোগে অৱগত কৰে প্ৰদেশ বিজেপিৰ মুখপাত্ৰ ড° দেৱজিৎ মহন্তই। লগতে ড° মহন্তই কয় যে এই দুৰ্যোগ আমি একেলগে হাতে হাত ধৰি অতিক্ৰম কৰিম।

## NEET-ত পৰীক্ষাত উজলিল মুকালমুৱাৰ গলদীঘলা গাঁৱৰ মেধাৱী ছাত্ৰ জাবেদ আখতাৰে



**শংকৰ দাস, মুকালমুৱা ঃ** সৰ্বভাৰতীয় NEET-2026 পৰীক্ষাত ৬৫২ নম্বৰ লাভ কৰি সফলতা অৰ্জন কৰিছে নলবাৰী জিলাৰ মুকালমুৱা সমীপৱৰ্তী গলদীঘলা গাঁৱৰ মেধাৱী ছাত্ৰ জাবেদ আখতাৰে। মুকালমুৱাৰ গলদীঘলা গাঁৱৰ পিতৃ স্বৰ্গীয় জালাল উদ্দিন আহমেদ আৰু মাতৃ হাছনা বেগমৰ সুযোগ্য পুত্ৰ জাবেদ আখতাৰে নীট পৰীক্ষাত সফলতা লাভ কৰিছে। জাবেদ আখতাৰ এই সফলতাত অঞ্চলবাসী উৎফুল্লিত হৈ পৰিছে। প্ৰায় ৮ মান আগত হৃদৰোগত আক্ৰান্ত হৈ পিতৃৰ অকাল বিয়োগে তেওঁৰ জীৱনত গভীৰ শোকৰ ছাঁ নমাই আনিছিল। কিন্তু পিতৃহাৰাৰ বেদনা আৰু পৰিয়ালৰ দায়িত্বৰ মাজতো তেওঁ মনোবল হেৰুৱাই নেপেলাই লক্ষ্যৰ প্ৰতি অবিচল থাকি সফলতাৰ এই শিখৰত উপনীত হয়। এগৰাকী চিকিৎসক হোৱাৰ সপোন পুহি ৰখা জাবেদ আখতাৰে ভৱিষ্যতে মানৱ সেৱাৰ অঞ্চলবাসীক প্ৰতিনিধিত্ব কৰাৰ মন। জাবেদ আখতাৰৰ এই সাফল্যই সমগ্ৰ অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁৰ উজ্বল ভৱিষ্যৎ কামনা কৰি অঞ্চলটোৰ বিভিন্ন লোকে আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে।

# বোকাখাতত ১০৪ শিক্ষানুষ্ঠানৰ ১,৪৬০ কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা



**মৃদুস্মিতা শৰ্মা, বোকাখাত ঃ** বিগত বছৰবোৰৰ দৰে এইবাৰো বোকাখাত বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক বোকাখাতৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী অতুল বৰাৰ উদ্যোগত অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰা হয়। বোকাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মুকলি প্ৰেক্ষাগৃহত আয়োজিত এই বিশেষ অভিনন্দন অনুষ্ঠানত বোকাখাত সমষ্টিৰ ১০৪খন শিক্ষানুষ্ঠানৰ মুঠ ১,৪৬০জন কৃতী ছাত্ৰ-ছাত্ৰীক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰে ৮১৪জন উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত আৰু ৬৪৬জন উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ। বোকাখাতৰ শিল্পী বৰ্ষাগ্নি ডেকাৰ বাঁহীবাদনেৰে আৰম্ভ হোৱা এই অভিনন্দন অনুষ্ঠানত আদৰণি ভাষণ দিয়ে মন্ত্ৰী অতুল বৰাই। তদুপৰি অনুষ্ঠানত বনমন্ত্ৰী জয়ন্তমল্ল বৰুৱা, ৰাজহ মন্ত্ৰী কেশৱ মহন্ত, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, নীস্কোৰ স্বতন্ত্ৰ সঞ্চালক অনিমেষ শইকীয়া, উচ্চশিক্ষা বিভাগৰ আয়ুক্ত সচিব নাৰায়ণ কোঁৱৰ, গোলাঘাট জিলা আযুক্ত বৰ্ণালী গোহাঁই, সমজিলা আয়ুক্ত সুজাতা গগৈৰ উপৰি বিভিন্ন শিক্ষানুষ্ঠানৰ অধ্যক্ষ, শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকেও অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে ২০২৬ বৰ্ষৰ উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত গোলাঘাট জিলাৰ ভিতৰত বোকাখাত সমষ্টিৰ পৰা ৯৬৩ শতাংশ নম্বৰ লৈ সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ব্ৰহ্মপুত্ৰ শংকৰদেৱ শিশু নিকেতন, আমগুৰি কৌশিক সেনাপতি আৰু চলিত বৰ্ষৰ উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বোকাখাত সমষ্টিৰ পৰা ৯৬.৮৩ শতাংশ নম্বৰ লৈ সুখ্যাতিৰে উত্তীৰ্ণ হোৱা বোকাখাত বেষ্ট একাডেমীৰ সীমান্ত নাথক বিশেষভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে বোকাখাত বিধানসভা সমষ্টিৰ ১,৪৬০জন কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক একোটাকৈ গছপুলি আৰু উপহাৰৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়।

# নীট পৰীক্ষাৰ ফলাফলত উজলিল বংশৰৰ কুণাল ভৰালী



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** চিকিৎসা বিজ্ঞানৰ সৰ্বভাৰতীয় নীট পৰীক্ষাত উত্তীৰ্ণ হৈ শুৱালকুছিৰ বংশৰলৈ গৌৰৱ কঢ়িয়ালে কুণাল ভৰালীয়ে। মেধা ছাত্ৰ গৰাকীয়ে ৫৬১ নম্বৰ লাভ কৰি কামৰূপ জিলাৰ বংশৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত গোপাল চুবুৰীৰ সদ্য প্ৰয়াত নৃপেন ভৰালী আৰু মাতৃ ফুলমণি ভৰালীৰ দ্বিতীয় পুত্ৰ কুণাল ভৰালীৰ সৰ্বভাৰতীয় ৰেংক ২৮৭৯৮ নম্বৰ আৰু অনুসূচিত জাতিৰ (SC) ৰেংক ঃ ৭৪৩ নম্বৰ। ভৱিষ্যতে এজন সু-চিকিৎসক হোৱাৰ মন সৰুৰে পৰা পুহি ৰখা কুণালৰ কৃতিত্বত অঞ্চলজুৰি আনন্দৰ জোৱাৰ উঠে। কুণালে হাইস্কুল শিক্ষান্ত পৰীক্ষাত আটাইকেইটা বিষয়ত লেটাৰ নম্বৰেৰে আৰু উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ মেধাৰ পৰিচয় দিছিল। ভৱিষ্যতে এগৰাকী সু চিকিসক হৈ অঞ্চলৰ গৌৰৱ কঢ়িয়াই আনক তাৰ বাবে অঞ্চলবাসীৰ লগতে শুৱালকুছি প্ৰেছ ক্লাবে অভিনন্দন জনাইছে।






# বৃহত্তৰ শিৱসাগৰ প্ৰেছ ক্লাবৰ নতুন সমিতি গঠন



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ঐতিহাসিক শিৱসাগৰ জিলাৰ অন্যতম সাংবাদিক মঞ্চ 'বৃহত্তৰ শিৱসাগৰ প্ৰেছ ক্লাব'ৰ বাৰ্ষিক সাধাৰণ সভাখন যোৱা ১৭ জুলাই, শুকুৰবাৰে বিয়লি ৪ বজাৰ পৰা শিৱদৌলৰ সমীপৰ বৃহত্তৰ শিৱসাগৰ প্ৰেছ ক্লাবৰ নিজা কাৰ্যালয়ত অনুষ্ঠিত হয়। বৃহত্তৰ শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাপতি মনোজ কুমাৰ বৰঠাকুৰ দেৱৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা সভাত বাৰ্ষিক প্ৰতিবেদন পাঠ কৰে প্ৰেছ ক্লাবৰ সম্পাদক কুমাৰ অভিজিৎ দুৱৰায়ে। উল্লেখযোগ্য যে, জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰায় অৰ্ধশতাধিক সংবাদসেৱী উপস্থিত থকা সভাত আগন্তুক কেইবাটাও বিষয়ৰ ওপৰত আলোচনা কৰা হয়। উক্ত সভাত পুৰণা সমিতিখনে পদত্যাগ কৰাৰ পাছতেই সৰ্বসন্মতিক্ৰমে মনোজ কুমাৰ বৰঠাকুৰ, অনিল গুপ্তাক উপদেষ্টা, শিৱ গগৈক সভাপতি, কুমাৰ অভিজিৎ দুৱৰাক কাৰ্যকৰী সভাপতি, বিকাশ কুমাৰক উপ-সভাপতি, প্ৰাঞ্জল পূজাৰীক সম্পাদক, পৰাগ শইকীয়া আৰু অমৃত কুমাৰ শৰ্মাক সহকাৰী সম্পাদক, প্ৰশান্ত বৰগোহাঁইক কোষাধ্যক্ষ, বিশ্বজিৎ বড়া আৰু মুচাব্বিৰ আলীক সাংস্কৃতিক সম্পাদক, মৌচুমী গগৈ ফুকনক আলোচনী সম্পাদকৰ লগতে মুকুল আহোম, পংকজ খাউণ্ড, তাজ হুছেইন, অভিনৱ দত্ত আদিকে ধৰি কেইবাগৰাকীকো সদস্য হিচাপে লৈ ১৫ জনীয়া বৃহত্তৰ শিৱসাগৰ প্ৰেছ ক্লাবৰ নতুন সমিতিখন গঠন কৰা হয়।

# ৰাজস্থানত সুন্দৰী প্ৰতিযোগিতাত নগাঁৱৰ স্নিগ্ধা ভূএগ্তাৰ Miss Teen Grand India খিতাপ অৰ্জন




**নগাঁৱৰ বিশেষ প্ৰতিবেদক ঃ** নগাঁৱৰ বিকাশ ভূএগ্তা আৰু অনন্যা বৰাৰ কন্যা, নাৰায়ণা ই-টেকন' স্কুলৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী, ১৩ বছৰীয়া স্নিগ্ধা ভূএগ্তাই ১১ জুলাইৰ পৰা ১৯ জুলাইলৈ ৰাজস্থানৰ জয়পুৰত Miss Teen Diva Organization ৰ দ্বাৰা আয়োজিত তথা Glamanand পৰিচালিত ত্তনব্দব্দ Teen Diva প্ৰতিযোগিতাত Miss Teen Grand India খিতাপ অৰ্জন কৰিছে। জানিব পৰা মতে, স্নিগ্ধা এই খিতাপ লাভ কৰা ভাৰতৰ সৰ্বকনিষ্ঠ লগতে অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী প্ৰতিযোগী। এনে সাফল্যৰ জৰিয়তে স্নিগ্ধাই অদূৰ ভৱিষ্যতে আন্তঃৰাষ্ট্ৰীয় মঞ্চত ভাৰতক প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰিব বুলি জানিব পৰা গৈছে। তেওঁৰ এনে সাফল্যই পৰিয়ালবৰ্গৰ লগতে অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক গৌৰৱান্বিত কৰিছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে স্নিগ্ধাই এনে সুন্দৰী প্ৰতিযোগিতাত বহু সফলতা অৰ্জন কৰিছে যদিও ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত এয়াই প্ৰথম।






স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.in/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া

সম্পাদক ঃ প্ৰণতি বৰা